# খোদাৰ শপত

অনুবাদক
মজিবৰ ৰহমান মুৰব্বী ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

নাম কিতাপ ঃ খোদাৰ শপত
অনুবাদক ঃ মজিবৰ ৰহমান মুৰব্বী ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)
মূল কিতাপ ঃ খোদা কি কছম
লিখক ঃ হজৰত মিৰ্জা গোলাম
আহমদ কাদিয়ানী
প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
পথম প্ৰকাশ ঃ ২০১৯, ১০০০ কপি
মুদ্ৰণে ঃএছ.কে.অফছেট প্ৰিণ্টিং,
বামুনিমেইদান, গুৱাহাটী ৭৮১০২১
(অসম)

---

**Name Book : Khudar Sapat**

**Translated by : Mozibar Rahman Murabbi Silsila**
**(Incharge Assamese Desk)**
**Original Book : Khuda ki Qasam**
**Author : Hazrat Mirza Gulam Ahmad Qadiani**
**Published by : Nazarat Nashr-O-Ishaat Qadian**
**First Published : 2019, 1000 Copies**
**Printed at : Sk Offset Printing Bamunimadan**
**Guwahati 781021 (Assam)**

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত **খোদা কি কছম** পুস্তকখনৰ অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান চাহাব মুৰববী ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে)। ৰিভিউ কৰিছে মাননীয় আমান আলী চাহাব মুৰববী ছিলছিলা, মাননীয় শ্বাহজাহান আলি চাহাব মুৱাল্লিম ছিলছিলা, আল্লাহ তায়লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

**নাজিৰ নশ্বৰ ও ইশায়ত কাদিয়ান**

## অনুৰোধ

আলহামদুলিল্লাহ, হজৰত মছীহ মাওউদ (আঃ) য়ে তেখেতৰ পুস্তকত বিভিন্ন স্থানত আল্লাহ তায়লাৰ নামত যিবিলাক শপত খাইছে। সেই শপতবিলাকক একত্রিত কৰি প্রকাশ কৰিছোঁ যাতে আল্লাহ ভীৰু মানুহে এই বিলাকক পঢ়ে আৰু হজৰত মছীহ মাওউদ (আঃ) ৰ সত্যতাক প্রমাণ কৰিব পাৰে। ডঃ মহম্মদ হোছেইন চাহাব ছাজিদ আৰু ৰাশ্বেদ মহম্মদ আলাহ দ্বীন চাহাবক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ, যিসকলৰ সহযোগীতাত আল্লাহ তায়লাৰ কৃপাত এই পুস্তকখন প্রকাশ কৰাত সক্ষম হৈছো। আল্লাহ তায়লা সিহঁতক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। কিন্তু দু:খৰ বিষয় এই পুস্তকখন প্রকাশৰ পূৰ্বতেই ডঃ মহম্মদ হোছেইন চাহাব ছাজিদ ২৫ মে ১৯৮৮ খ্রীষ্টাব্দত মৃত্যু বৰণ কৰে। (ইন্না লিল্লাহি ওৰা ইন্না ইলায়হি ৰাজিউন) আল্লাহ তায়লা তেখেতৰ সৈতে ক্ষমাৰ আচৰণ কৰক আৰু উচ্চ মর্যাদা প্রদান কৰক আৰু হজৰত মহম্মদ (ছাঃ) আৰু হজৰত মছীহ মাওউদ (আঃ) ৰ নৈকট্য প্রদান কৰক । আমীন-

ডঃ চাহাবৰ ইচ্ছানুযায়ী মই এই পুস্তকখন মৰহুম ডঃ খলিল আহমদ নাছিৰ চাহাবৰ নামত উৎসর্গ কৰিলোঁ। এই অধম তেওঁৰ সৈতে ছাত্র জীৱনৰ পৰা পৰিচিত। তেখেত খুবই পুণ্যবান আৰু ইছলাম আৰু আহমদীয়তৰ একনিষ্ঠ ভক্ত আছিল। আল্লাহ তায়লা এই দুই মৰহুমক ক্ষমা কৰক আৰু উচ্চ মর্যাদা প্রদান কৰক। আমীন-

অৱশেষত সকলোৰে ওচৰত মোৰ বাবে দোৱাৰ আবেদন থাকিল যে, আল্লাহ তায়লা যেন এই অধমৰ

সামান্য প্ৰচেষ্টাক গ্ৰহণ কৰে আৰু দ্বীনৰ বেছি বেছি সেৱা কৰাৰ সৌভাগ্য প্ৰদান কৰে। আমীন-

এই অধম নাজিৰ চাহাব দাওৱাত ইলাল্লাৰ কৃতজ্ঞতা স্বীকাৰ কৰিছে যিজনে এই পুস্তকখনৰ ভূমিকা ৰচনাত আৰু নাম নিৰ্দ্ধাৰণত সাহায্য আগবঢ়াইছে আৰু প্ৰকাশ কৰাৰ অনুমতি প্ৰদান কৰিছে। আল্লাহ তায়লা তেখেতক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

**দোৱা পাৰ্থী**
**বশ্বীৰুদ্দিন আলাহদ্বীন**
**ছেক্ৰেটাৰী তবলীগ ও তৰবিয়ত**
**জামাত আহমদীয়া ছেকেন্দ্ৰাবাদ**
**৩০ নভেম্বৰ ১৯৮৮ খ্ৰীষ্টাব্দ**

# ভূমিকা

মুছলমানসকলৰ সৰ্ব সন্মত ধাৰণা যে শেষ যুগত হজৰত ঈছা(আঃ) ইবনে মৰিয়ম আকাশৰ পৰা সশৰীৰে অৱতীৰ্ণ হ'ব আৰু উম্মতে মহম্মদীয়াত হজৰত ইমাম মাহদী(আঃ)ৰ আৱিৰ্ভাব হ'ব আৰু এই দুয়োজনে মিলি ইছলাম ধৰ্ম প্ৰচাৰ কৰিব। অৰ্থাৎ শেষ যুগত মুছলমান সমাজে এই দুজন আধ্যাত্মিক ব্যাক্তিৰ অপেক্ষা কৰি আছে। কিন্তু কোৰাণ আৰু ছহী হাদীছৰ পৰা প্ৰমাণিত যে হজৰত ঈছা ইবনে মৰিয়ম (আঃ) অৰ্থাৎ বনি ইছৰাইলৰ এজন নবী আছিল। তেখেতে দুই হাজাৰ বছৰ পূৰ্বত সকলো নবীৰ নিচিনা মৃত্যু বৰণ কৰিছে। তেখেত (আঃ) সশৰীৰে আকাশত যোৱা নাই আৰু তেখেত জীৱিতও নাই আৰু তেখেত পাৰ্থিৱ জীৱন লৈ এই যুগত আৱিৰ্ভাব নহ'ব। অৰ্থাৎ হাদীছৰ পৰা প্ৰমাণিত যে ইছলাম ধৰ্মৰ সংস্কাৰৰ বাবে আৰু উম্মতে মহম্মদীয়াৰ সংশোধনৰ বাবে এই উম্মতৰ পৰা এজন মহাপুৰুষৰ আৱিৰ্ভাব হ'ব, যাক ইছলামী পৰিভাষাত ইমাম মাহদী কোৱা হৈছে। তেখেত আধ্যাত্মিক হিচাপে হজৰত মছীহ ইবনে মৰিয়মৰ সদৃশ হ'ব। হাদীছত বৰ্ণিত আছে যে,

وَلَا الْمَهْدِيُّ اِلَّا عِيْسَى ابْنِ مَرْيَم

**(ইবনে মাজা ,কিতাবুল ফিতন বাব শিদ্দাতুত জামান)**

**অনুবাদ** ঃ- ঈছা ইবনে মৰিয়মেই হ'ব মাহদী।( ইবনে মাজা, কিতাবুল ফিতন বাব শ্বিদ্দাতুত জমান)

يُوشِكُ مَنْ عَاشَ مِنْكُمْ أَنْ يَلْقَى عِيسَى

ابْنَ مَرْيَمَ إِمَامًا مَهْدِيًّا حَكَمًا وَ عَدْلًا

**(মছনদ আহমদ বিন হাম্বল, কিতাব বাকী মছনদুল মুকাছীৰিন কনজুলুল উমাল জিলদ ১৪ পৃঃ ২৬৩)**

كَيْفَ أَنْتُمْ إِذَا نَزَلَ ابْنُ مَرْيَمَ فِيكُمْ وَ إِمَامُكُمْ مِنْكُمْ

**(ছহী বুখাৰী, বাব নুজুলে ঈছা ইবনে মৰিয়ম)**

অৰ্থাৎ তোমালোকে কিমান সৌভাগ্যবান হ'ব যেতিয়া মৰিয়মৰ পুত্ৰ তোমালোকৰ মাজৰ পৰা তোমালোকৰ ইমাম হ'ব। (অৰ্থাৎ উম্মতে মহম্মদীয়াৰ মাজৰ পৰাই হ'ব।

উপৰোক্ত হাদীছৰ পৰা প্ৰতীয়মান যে আগমনকাৰী প্ৰতিশ্ৰুত মাওউদ এজন ব্যাক্তিয়ে হ'ব। তেখেত এফালে ইমাম মাহদী আৰু আনফালে তেখেতেই ঈছা ইবনে মৰিয়মৰ প্ৰতিবিম্ব স্বৰূপ হ'ব; কাৰণ আগতে বৰ্ণনা কৰা হৈছে যে হজৰত ঈছা ইবনে মৰিয়ম বনি ইস্ৰাইলৰ ৰছুল আছিল, তেখেত মৃত্যু বৰণ কৰিছে। তেখেতৰ পুনৰায় আৱিৰ্ভাবৰ প্ৰশ্নই নুঠে।

পৃথিৱীত আল্লাহ তায়লাৰ প্ৰেৰিত কোনো প্ৰত্যাদিষ্ট পুৰুষৰ সত্যতাৰ বিভিন্ন দলিল আৰু প্ৰমাণসমূহ থাকে তাৰ মাজত এটা হ'ল এয়া যে দাবীকাৰক পূৰ্ণ বিশ্বাসৰ সৈতে আল্লাহ তায়লাক সাক্ষী ৰাখি নিজৰ দাবী উত্থাপন কৰি থাকে। কাৰণ আল্লাহ তায়লা সত্যবাদী আৰু মিছলীয়াক ভালকৈ জানে। খোদাৰ বৰ্ণিত আয়াত

وَقَدْ خَابَ مَنِ افْتَرٰى ﴿٦٢﴾ (20:62)

যিজন মিছলীয়া তেওঁ সফল হ’ব নোৱাৰে।(ছুৰা ত্বাহা আয়াত ৬২)

وَلَوْ تَقَوَّلَ عَلَيْنَا بَعْضَ الْأَقَاوِيلِ ﴿٤٥﴾

لَأَخَذْنَا مِنْهُ بِالْيَمِينِ ﴿٤٦﴾ (69:45-46)

**অনুবাদ ঃ-** আৰু যদি তেওঁ নিজে জাল কৰি আমাৰ নামত কোনো বক্তব্যৰ উদ্ধৃতি দিলেহেঁতেন নিশ্চয় আমি তেওঁক সোঁহাতেৰে খামোচ মাৰি ধৰোলোঁহেঁতেন।

হাদীছৰ পৰা বৰ্ণিত যে এবাৰ এজন ব্যক্তি মদিনাত আহে আৰু চাহাবা সকলৰ মজলিছত হজৰত মহম্মদ (ছাঃ) ক কয়, আপুনি আপোনাৰ নবুয়তৰ দাবীৰ ওপৰত আল্লাহ তায়লাৰ কছম (শপত)খাওঁক। যেতিয়া হুজুৰ (ছাঃ)য়ে সিহঁতৰ সন্মুখত নবুয়তৰ দাবীৰ ওপৰত কছম খায়,তেতিয়া সেই ব্যক্তি মাথোন কছম শ্ৰৱণ কৰি হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত ঈমান আনে। বুখাৰী শ্বৰীফৰ হাদীছৰ অনুবাদ নিম্ন লিখিতত উল্লেখ কৰা হ’ল,

**অনুবাদ ঃ-** আনছ বিন মালিক (ৰাঃ)ৰ পৰা বৰ্ণিত যে এদিনাখন আমি নবী কৰীম (ছাঃ)ৰ সৈতে মছজিদত বহি আছিলো,সেই সময়ত এজন ব্যক্তি উটৰ ওপৰত আৰোহণ কৰি আহে। তাৰ পিছত উটটো মছজিদৰ আঙ্গনত বান্ধি আমাৰ ফালে লক্ষ্য কৰি কয় যে তোমালোকৰ মাজত মহম্মদ কোনে হয় ? নবী কৰীম (ছাঃ)য়ে আমাৰ কাষতেই বহি আছিল আমি উত্তৰ দিলো যে আমাৰ মাজত যিজন গাৰু লগাই বহি বহি আছে তেখেতেই। তাৰ পিছত সেই ব্যক্তিজনে কয় হে আব্দুল মোতাল্লিবৰ ল’ৰা ; নবী কৰীম (ছাঃ) য়ে কয়,কোৱা, মই

উত্তৰ দিম । তেতিয়া সেই ব্যক্তিয়ে কয়, মই আপোনাৰ পৰা কিছুমান বিষয় সম্পৰ্কে জানিব খুজিছো, মোৰ প্ৰশ্নৰ ভিতৰত কৰ্কশ ভাৱ থাকিব কিন্তু আপুনি খং নকৰিব । হুজুৰ (ছাঃ)য়ে কয়, তুমি তোমাৰ বিবেক অনুযায়ী প্ৰশ্ন কৰা । তেতিয়া তেওঁ কয় যে মই আপোনাক নিজৰ প্ৰভুৰ আৰু পূৰ্বৰ মানৱ জাতি সমূহৰ প্ৰভুৰ কছম দিছো । (সত্য ক'ব) আল্লাহ তায়লা আপোনাক গোটেই মানৱ জাতিক পয়গাম দিয়াৰ কাৰণে পঠাইছে নে ? হুজুৰ (ছাঃ)য়ে উত্তৰ দিলে যে আল্লাহ তায়লা সকলো বিষয় জানে (হয় এইটো সত্য); তাৰ পিছত তেওঁ কয়, আল্লাই আপোনাক দিনে ৰাতিত পাঁচ সময় নমাজ পঢ়াৰ আদেশ দিছে নে ? তেখেত (ছাঃ)য়ে কয়, আল্লাই জানে হয় (এয়া সত্য) । তাৰ পাছত তেওঁ আল্লাৰ শপত লৈ কয় যে আল্লাই আপোনাক বছৰত ৰমজান মাহৰ ৰোজা ৰখাৰ আদেশ দিছে নে ? তেখেত (ছাঃ)য়ে কয়, আল্লাই জানে হয় । আকৌ মই আপোনাক আল্লাহৰ কছম দি সুধো যে আল্লাহ তায়লা আপোনাক ধনী মানুহৰ পৰা ধন লৈ দুখীয়াৰ মাজত বণ্টনৰ আদেশ দিছেনে ? তেখেত (ছাঃ) য়ে উত্তৰ দিলে যে আল্লাহ তায়লা সকলো কিছু জানে (হয় এইটো সত্য) । তেতিয়া সেই ব্যক্তি জনে কয় যে আল্লাহ তায়লাৰ ফালৰ পৰা যিবোৰ আদেশ লৈ আপুনি আহিছে তাৰ ওপৰত মই ঈমান আনিলো আৰু আমাৰ জাতি,যিসকলে ইয়াত অহা নাই মই বনী-চাদ বিন বকৰৰ ভাইসকলৰ মাজত অন্তৰ্ভুক্ত ছালবাৰ ল'ৰা জিমাম, সিহঁতৰ বাবে এই সু-সংবাদ লৈ উভতি যাব ধৰিলোঁ ।আন এটা হাদীছত মিছা শপত খোৱাৰ প্ৰতিফল সম্পৰ্কে কোৱা হৈছে,

اَلْيَمِيْنُ الْفَاجِرَةُ تَدَعُ الدِّيَارَ بِلَاقِعَ

(مسند الشهاب باب اليمين)

মিছা শপত অঞ্চল সমূহক ধ্বংস কৰি দিয়ে (মছনদ শ্বিহাব বাব ইয়ামিন) অৰ্থাৎ মিছা শপতকাৰী অকল মাথোন আল্লাহ তায়লাৰ ফজলৰ পৰা বঞ্চিতই নহয় বৰং আল্লাহ তায়লা তাৰ মিছা শপতৰ শাস্তিও দিয়ে।

আহমদীয়া মুছলিম জামাতৰ পৱিত্ৰ প্ৰতিষ্ঠাতা হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) ১৪ শতাব্দী হিজৰীত নবুয়তৰ দাবী কৰি ঘোষণা কৰে যে,

ক) আল্লাহ তায়লা পৱিত্ৰ ওহীৰ মাধ্যমে মোক জনাইছে যে আল্লাহ তায়লা মোক মছীহ মাওউদ ৰূপে প্ৰেৰণ কৰিছে আৰু মই বাহ্যিক আৰু আভ্যন্তৰীণ মতানৈক্যৰ মীমাংসাকাৰী। ৰছুলুল্লাহ (ছাঃ) মোৰ নাম মছীহ ও মাহদী ৰাখিছে, আৰু আল্লাহ তায়লা স্বয়ং বৰ্তমান যুগৰ প্ৰয়োজন অনুসৰি মোৰ নাম মছীহ ও মাহদী ৰাখিছে। মুঠতে মছীহ ও মাহদী নামৰ মাজত একাধিক সাক্ষী আছে, মোৰ প্ৰভু যিয়ে আকাশ আৰু পৃথিৱীৰ মালিক, মই তাক সাক্ষী ৰাখি কৈছো, মই তাৰ ফালৰ পৰা প্ৰেৰিত আৰু সি তাৰ বিভিন্ন নিদৰ্শনাৱলী প্ৰদৰ্শনৰ মাধ্যমত মোৰ ফালে সাক্ষী দি থাকে।(ৰুহানী খাজাইন খণ্ড ১৭ পৃঃ ৩৪৫ প্ৰথম আৰবাইন পৃষ্ঠা, ৩)

খ) বৰেলীৰ এজন ব্যক্তি হজৰত মিৰ্জা গোলাম আহমদ চাহাবলৈ চিঠি লিখি এই কথা প্ৰকাশ কৰে, যদি আপুনি মছীহ মাওউদ হয় যাৰ বিষয়ে হাদীছত বৰ্ণিত আছে তেনেহলে আল্লাহ তায়লাৰ কছম খাই উত্তৰ লিখক। তাৰ পিছত আল্লাহ তায়লাৰ কছম (শপত) খাই নিম্ন লিখিত

উত্তৰ লিখে,মই পূৰ্বতে মোৰ দাবী সম্পৰ্কে বিভিন্ন পুস্তকত শপত খাই জনসাধাৰণৰ মাজত প্ৰকাশ কৰিছোঁ, আৰু এতিয়া এই পুস্তকত আল্লাহৰ কছম খাই লিখি আছো,যাৰ হাতত মোৰ প্ৰাণ আছে, মই সেই মছীহ মাওউদ যাৰ সম্পৰ্কে ৰছুলুল্লাহ (ছাঃ)য়ে ছহী বুখাৰী, মুছলিম শ্বৰিফ আৰু অন্যান্য ছহী হাদীছৰ কিতাপত বৰ্ণনা কৰিছে।

وَ كَفٰى بِاللّٰهِ شَهِيْدًا

**লেখক মিৰ্জা গোলাম আহমদ ১৭ আগষ্ট ১৮৯৯ খ্ৰীষ্টাব্দ**-(ৰুহানী খাজাইন খন্ড ২ য় মলফুজাত ১ ম খন্ড, পৃঃ ৩২৬-২৭)হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ মাওউদ (আঃ)য়ে তেখেতৰ দাবীৰ সত্যতা সম্পৰ্কে বিভিন্ন পুস্তকত আৰু লিখনীত বহু ঠাইত আল্লাহ তায়লাৰ কছম খাইছে সেই বিলাক জনাব বশ্বীৰুদ্দীন আলাদ্বীন চাহাববে(ছেক্ৰেটাৰি তবলীগ, জামাত আহমদীয়া ছেকেন্দ্ৰবাদে) এই পুস্তকখন এই উদ্দেশ্যত সংকলন কৰিছে যাতে শুভ্ৰ চিত্তৰ মানুহে হজৰত মিৰ্জা গোলাম আহমদ চাহাবৰ দাবী সম্পৰ্কে সঠিকভাৱে বুজিব পাৰে আৰু আনফালে আল্লাহ তায়লাৰ কাৰ্য্য প্ৰণালীৰ মাধ্যমত হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতৰ উন্নতি চাই তেখেতৰ দাবীক মান্য কৰাৰ সৌভাগ্য প্ৰাপ্ত হয় আৰু ইছলাম ধৰ্মৰ সেৱা আৰু প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ সৌভাগ্য প্ৰদান হয়। দোৱা কৰো আল্লাহ তায়লা জনাব বশ্বিৰ উদ্দীন আলাদ্বীন চাহাবৰ এই প্ৰচেষ্টা গ্ৰহণ কৰি নেক (পুণ্য) প্ৰতিফল প্ৰদান কৰক। আমীন-

**শ্বৰীফ আহমদ আমিনী**
**এডিশনাল নাজিৰ দাৱাত ও তবলিগ কাদিয়ান**

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

نحمدہ و نصلی علی رسولہ الکریم وعلی عبدہ المسیح الموعود

لا الہ الا اللہ محمد رسول اللہ

آزمائش کے لئے کوئی نہ آیا ہر چند
ہر مخالف کو مقابل پہ بلایا ہم نے
(درثمین)

**পৰীক্ষাৰ বাবে নাহিল কোনেও**
**প্ৰত্যাহ্বান আছিল প্ৰত্যেক বিৰোধীতাক**
**আমাৰ সন্মুখত আঁহা**

(দুৰৰে ছামিন)

## চ্যালেঞ্জ

হজৰত মছীহ মাওউদ (আঃ)ৰ সম্পৰ্কে তথাকথিত ধৰ্মীয় আলেমসকল যিবিলাক অবৈধ আৰু ভ্ৰান্ত বিশ্বাসসমূহ মুছলমানসকলৰ মাজত বিস্তাৰ লাভ কৰাৰ প্ৰয়াস কৰি আছে; তাৰ সমাধানৰ কাৰণে আহমদীয়া মুছলিম জামাতৰ ইমাম ৬ মাৰ্চ ১৯৮৭ খ্ৰীষ্টাব্দৰ খুতবা জুমাত কৈছে,

হজৰত মছীহ মাওউদ (আঃ)য়ে আহমদীয়া মুছলিম জামাতক কি উপদেশ দিছে, তেখেতৰ ধৰ্ম কি আছিল ? কলিমা কি আছিল ? সকলোবোৰ তেখেত (আঃ) স্বয়ং বৰ্ণনা কৰিছে ঃ-

আমি মুছলমান সেই আল্লাহৰ ওপৰত ঈমান ৰাখো যাৰ কোনো অংশীদাৰ নাই । হয়, আলিম সম্প্ৰদায় এই কথা কৈ থাকে যে চৰিয়ত বিলুপ্ত হৈ গৈছে এতিয়া জামাত আহমদীয়াৰ ওচৰত মিৰ্জা চাহাবৰ বাণী নতুন চৰিয়ত । কিন্তু আশ্চৰ্যৰ বিষয় এই সকলো মিছা প্ৰচাৰকাৰীসকলৰ হৃদয় বিন্দু মাত্ৰও আল্লাহৰ প্ৰতি ভয় নাই । কেনেকৈ এনে নিৰ্ভীক হৈ ইমান ডাঙৰ মিছা অপবাদ কৰি থাকে ? যদি সিহঁতৰ কথাই সত্য হয়, তেনেহলে মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)যি নতুন ধৰ্ম আমাক শিকাইছে, সেই নতুন ধৰ্ম সম্পৰ্কে আপোনালোকে শুনক আৰু নিৰপক্ষ হৈ এঠাইত থিয় হওঁক । হজৰত মছীহ মাওউদ(আঃ) য়ে আমাক যিবিলাক শিক্ষা প্ৰদান কৰিছে,সেই বিলাক শুনাৰ পিছতো যদি পূৰ্বৰ নিচিনা ব্যৱহাৰ অব্যাহত থাকে তেন্তে সেইটো আল্লাহ ভীৰু সকলৰ কাম নহ'ব । আমাক নতুন চৰিয়ত মান্য কৰাৰ যি অপবাদ দিয়া হৈ আছে,সেই নতুন চৰিয়ত সম্পৰ্কে শুনক ঃ-

আমি মুছলমান সেই আল্লাহৰ প্ৰতি ঈমান ৰাখো যাৰ কোনো অংশীদাৰ নাই, কলিমা لَا اِلٰهَ اِلَّا اللّٰه ৰ প্ৰতি বিশ্বাসী,তাৰ ৰচুল মহম্মদ (ছাঃ)ক শেষ নবী ৰূপে স্বীকাৰ কৰো । ফিৰিস্তা,কিয়ামত আৰু বেহেস্ত-দোজখৰ ওপৰত ঈমান ৰাখো । আমি **কিবলাৰ** ফালে মুখ কৰি নামাজ পঢ়ো, ৰোজা ৰাখো আৰু যিবিলাক আল্লাহ আৰু তাৰ ৰছুলে হাৰাম কৰিছে,সেইবিলাকক হাৰাম (অবৈধ) বুলি গণ্য কৰো আৰু আমি চৰিয়তক বিন্দু মাত্ৰও সংযোজন নকৰো আৰু বিয়োজন নকৰো, যিবিলাক ৰচুলুল্লাহ (ছাঃ)ৰ পৰা আমাৰ ওচৰলৈ আহিছে,সেইবিলাকক আমি গ্ৰহণ কৰি থাকো, আমি তেখেতৰ বাণীৰ ভেদ আৰু তাৎপৰ্য সঠিক

ভাৱে বুজিব পাৰো বা নোৱাৰো আল্লাহ তায়লাৰ কৃপাত আমি একত্ববাদত বিশ্বাসী মোমিন আৰু মুছলমান। (নুৰুল হক, প্ৰথম ভাগ, ৰুহানী খাজাইন অষ্টম খন্ড,পৃঃ ৭-৮)

যদি ধৰ্মীয় আলিম সকলৰ দৃষ্টিত আহমদীসকলৰ চৰিয়ত এইটোয়ে হয় ,তেন্তে হজৰত মিৰ্জা গোলাম আহমদ(আঃ)ৰ বৰ্ণনা অনুযায়ী এইটোয়ে আমাৰ চৰিয়ত। কিন্তু মিছা প্ৰচাৰকাৰীসকল কেতিয়াও এটা বাক্যৰ ওপৰত অটল নাথাকে। সিহঁতে প্ৰত্যেক মুহূৰ্ততে বাক্য পৰিৱৰ্তন কৰি থাকে। এটা বাক্যৰ ওপৰত স্থিৰ থাকি অঙ্গীকাৰ কৰক যে সেই বাক্যৰ ওপৰত অটল থাকিব।

হজৰত মছীহ মাওউদ (আঃ) আৰু এঠাইত কৈছে, মই সত্য কওঁ যে আল্লাহ তায়লাৰ কছম খাই কৈ আছো আমাৰ জামাত মুছলমানৰ মাজত অন্তৰ্ভুক্ত, হজৰত মহম্মদ (ছাঃ) আৰু কোৰাণ মজিদৰ ওপৰত তেনেকুৱাই ঈমান ৰাখো যেনেকুৱা এজন সত্য মুছলমানৰ ঈমান হোৱা উচিত। ( লেকচাৰ লুধিয়ানা, ৰুহানী খাজাইন , খন্ড ২০, পৃঃ ২৬০)

এতিয়া প্ৰশ্ন হ'ল যদি এই দৰে অপবাদৰ ধাৰাবাহিকতা অব্যাহত থাকে আৰু যদি জামাত সম্পৰ্কে সজোৱা কাহিনী প্ৰচাৰ কৰা হয় আৰু আহমদীয়া জামাতৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰে আমাক অপবাদ বিলাকৰ উত্তৰ দিয়াৰ অনুমতি দিয়া নহয়,এনে অৱস্থাত নিজৰ প্ৰচেষ্টাৰ মাধ্যমে উত্তৰ দিয়াৰ চেষ্টা হোৱা উচিত। কিন্তু মনত ৰখা উচিত যে সেই মুহূৰ্তত বহুত বাধাৰ সন্মুখীন হ'ব লাগিব আৰু যেনেকুৱা আজিও জামাতৰ বিৰুদ্ধে কাহিনী আৰু মিছা প্ৰচাৰ চলি আছে। ইমান সোনকালে জামাতৰ ফালৰ পৰা প্ৰত্যেক স্থানত উত্তৰ পত্ৰ পঠোৱা

অসম্ভৱ। তেনেহলে ইয়াৰ সমাধান কি ? এটাই সমাধান, মই আহমদী জামাতৰ ফালৰ পৰা পাকিস্তান আৰু অন্যান্য দেশৰ গোটেই ধৰ্মীয় আলিম সকলক **চ্যালেঞ্জ কৰি কৈ আছো** যে হজৰত মছীহ মাওউদ (আঃ) যেনেকুৰা পৰিত্ৰ নামৰ কছম খাই ঘোষণা কৰিছে যে গোটেই মুছলমান সকলৰ কলিমাৰ নিচিনা আমাৰ কলিমাও এক আৰু অভিন্ন। আমাৰ ৰচুল মহম্মদ মুস্তাফা (ছাঃ)। আমি সেই সকলো বাক্যৰ ওপৰত ঈমান ৰাখো যিবিলাক বাক্যৰ ওপৰত ঈমান আনি ইছলাম ধৰ্ম গ্ৰহণ কৰা হয়। তেখেত(আঃ)য়ে যিদৰে দৃঢ়তাৰ সৈতে কছম খাইছে আৰু মিছলীয়াসকলক অভিশাপ দিছে, পাকিস্তানৰ ধৰ্মীয় আলিম সকল যদি সঠিক পথ অৱলম্বন কৰি থাকে তেতিয়া সকলো ধৰ্মীয় আলিম সকল মিলি তেনেকুৰা বাবে শপত খাই পাকিস্তানত এই মৰ্মত এখন পুস্তক প্ৰকাশ কৰক যে আমি আল্লাহ তায়লাক দৃষ্ট আৰু অদৃষ্টৰ মালিক বুলি জ্ঞান কৰো, যাৰ অভিশাপ মিছলীয়া সকলৰ ওপৰত পৰি থাকে, হে খোদা ! যদি আমি মিছলীয়া হৈ থাকো তেন্তে তুমি আমাৰ ওপৰত অভিসম্পাত কৰা, আৰু আমাৰ ইহজগতত আৰু পৰকালত লাঞ্ছিত কৰা। অআহমদীসকলে কৈ থাকে যে আহমদীসকল ভিন্ন কলিমাৰ ওপৰত বিশ্বাস ৰাখে, সিহঁতে যেতিয়া কলিমাত **মহম্মাদুৰ ৰছুলুল্লাহ** কৈ থাকে তেতিয়া তাৰ মানে হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী হৈ থাকে, সিহঁতৰ আল্লাহ আৰু চৰিয়ত ভিন্ন। হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী চাহাবক আহমদী জামাতৰ অনুসৰণকাৰীসকলে (নাউজুবিল্লাহ) সকলো ফালৰ পৰা হজৰত মহম্মদ (ছাঃ)ত কৈ উত্তম বুলি মান্য কৰে।

যদি মিছা অপ্রচাৰকাৰী সকলৰ মাজত ঈমানৰ প্ৰবণতা থাকে, তেন্তে সিঁহতে হজৰত মছীহ মাওউদ (আঃ) ৰ নিচিনা কছম খাওঁক । তেতিয়া আল্লাহ তায়লাৰ নিয়তৰ পৰিণতি দেখিবলৈ পাব ।

মই অভিশাপ দিব নিবিচাৰো, কিন্তু অজ্ঞ আৰু অত্যাচাৰীসকলে পৰিপূৰ্ণ ভাৱে অপপ্ৰচাৰ কৰি মিছা অপবাদৰ সীমা লঙ্ঘন কৰি চলি আছে,যাৰ ফলত হজৰত মছীহ মাওউদ (আঃ)ৰ এই **চ্যালেঞ্জ** উত্থাপন কৰাৰ বাহিৰে মোৰ আৰু কোনো উপায় নাই । যদি তোমালোক সত্যিকাৰ অৰ্থে ঈমানদাৰ হৈ থাকা,তেতিয়াহলে হজৰত মছীহ মাওউদ (আঃ)ৰ নিচিনা সাহস দেখাওঁক । তেখেত(আঃ)য়ে যেনেকৈ দৃঢ় বিশ্বাসৰ সৈতে আল্লাহ তায়লাক দৃষ্ট আৰু অদৃষ্টৰ মালিক বুলি জ্ঞান কৰি শপত লৈ এই ঘোষণা কৰিছে যে, তোমালোকে যেনেকৈ জামাত আহমদীয়াৰ অনুসৰণকাৰী সকলৰ বিষয়ে পাপী , লম্পট, ব্যভিচাৰ আৰু হজৰত মহম্মদ (ছাঃ)ক অবমাননাকাৰী, ইছলামৰ পৰা আঁতৰত গৈ বাহাইহঁতৰ নিচিনা এখন নতুন ধৰ্ম বনাইছে ইত্যাদি ইত্যাদি কৈ থাকে । আল্লাহ তায়লাৰ কছম খাই সেইবিলাক প্ৰচাৰ পত্ৰৰ মাধ্যমত প্ৰকাশ কৰা হওঁক; তেতিয়া তোমালোকে আল্লাহ তায়লাৰ নিয়তৰ পৰিণতি দেখিব পাৰিবা ।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে:-

অৱশেষত মই মহা মহিমান্বিত আল্লাহ তায়লাৰ কছম খাই সাধাৰণ মানুহৰ সন্মুখত এই কথা প্ৰকাশ কৰিছোঁ যে মই কাফিৰ নহয় । **لا اله الا الله محمد رسول الله** আৰু

**لَٰكِنْ رَّسُولَ اللّٰهِ وَخَاتَمَ النَّبِيِّينَ (الاحزاب :٤١)**

ৰ ওপৰত মোৰ পূৰ্ণ বিশ্বাস আছে। যিমান গুণবাচক আল্লাহ তায়লাৰ নাম আছে, যিমান কোৰাণ কৰিমত আখৰ আছে, যিমান হজৰত মহম্মদ (ছাঃ)ৰ গুণাৱলী আছে সিমান বাৰ মই মোৰ ঈমানৰ সত্যতাৰ ওপৰত শপত খাব পাৰিম। মোৰ কোনো বিশ্বাস আল্লাহ তায়লা আৰু মহম্মদ (ছাঃ)ৰ পৰা বৰ্ণিত বাণীৰ বিপৰীত নহয়। যি ব্যক্তি এই ধৰণৰ ধাৰণা ৰাখে তেওঁ ভুল পথত আছে। যি ব্যক্তি মোক কাফিৰ বুলি ভাবে, মৃত্যুৰ পিছত নিশ্চয় আল্লাহ তায়লা তেওঁক সুধিব।( ৰুহানী খাজাইন, সপ্তম খণ্ড পৃঃ ৬৭)

উত্তৰৰ মাজত যেনেকুৱা দৃঢ়তা আৰু দীপ্ততা আছে মৃত্যুৰ পিছত সিহঁতক প্ৰশ্ন কৰা হ'ব। ইয়াৰ মাজতো এক দয়াৰ দিক আছে; কিন্তু মানুহ ইমান নিৰ্ভীক হৈ গৈছে যে সিহঁতে এই কথা কোৱা উচিত, যদি আমি মিছলীয়া হৈ থাকো তেন্তে আমাক ইহকালতেই শাস্তি দিয়া হওঁক। সিহঁতে এনেকুৱা ব্যক্তিৰ দৰে হৈ গৈছে, যিসকলে এই কথা কয় যে আমাৰ ওপৰত আকাশৰ পৰা শিল বৰ্ষিত হওঁক আৰু এই পৃথিৱীৰ পৰাও পাথৰ বৰ্ষিত হওঁক। প্ৰতিপক্ষই যিহেতু বিৰোধীতাৰ চৰম সীমা অতিক্ৰম কৰি গৈছে, অৰ্থাৎ সিহঁতৰ এই ঘোষণা হোৱা উচিত যে যদি আমি মিছলীয়া হৈ থাকো তেতিয়া আল্লাহ তায়লা আমাৰ ওপৰত শিল বৰ্ষণ কৰক; এই পৃথিৱীত আমাক অসন্মানিত কৰক আৰু দাবী কৰক যে আহমদীসকলে হজৰত মহম্মদ (ছাঃ)ৰ কলিমাৰ ওপৰত বিশ্বাস নাৰাখে। অৰ্থাৎ হজৰত মিৰ্জা গোলাম আহমদ (আঃ) চাহাবৰ কলিমা পঢ়ি থাকে ,মহম্মদী ধৰ্মৰ ওপৰত বিশ্বাস নাৰাখে, এখন নতুন ধৰ্ম বনাই লৈছে,কোৰাণ শ্বৰীফৰ ওপৰত বিশ্বাস নাৰাখে,অৰ্থাৎ কোৰাণ শ্বৰীফৰ পৰা ভিন্ন এখন গ্ৰন্থ

গোলাম আহমদ চাহাবক (নাউজুবিল্লাহ) হজৰত মহম্মদ (ছাঃ)তকৈ উত্তম বুলি মানে আৰু তেওঁক আল্লাহ তায়লাৰ মৰ্যাদা দি থাকে।

যদি সিহঁতে এনেকুৰাই কৰি গৈ থাকে তেতিয়া মই দৃঢ় বিশ্বাসৰ সৈতে কৈছো যে সিহঁতে অৱশ্যই আল্লাহ তায়লাৰ শাস্তি ভোগ কৰিব। সিহঁতে নিশ্চয় আল্লাহ তায়লাৰ বিধান অনুযায়ী লাঞ্ছনা আৰু অপমানক অবলোকন কৰিব যে আল্লাহ তায়লাৰ তকদিৰে কেনেকৈ সিহঁতক ধ্বংসৰ মূখলৈ ঠেলি দিছে,সিহঁতৰ ভাগ্য অৱশ্যই অসফল হৈ থাকিব। আল্লাহ তায়লা সিহঁতক সঠিক বাটলৈ লৈ যাওঁক এই দোৱা কৰি থাকো, সিহঁতৰ ওপৰত কৃপা বৰ্ষিত হওঁক, সিহঁতে বেয়া কামৰ পৰা আঁতৰত থাকক, হজৰত মহম্মদ (ছাঃ)ক আল্লাহ তায়লা স্বয়ং জ্ঞান প্ৰদান কৰিছে। কিন্তু গোটেই মানৱ জাতিৰ মাজত কোনে সঠিক বাটত আছে,কোনে ধ্বংসপ্ৰাপ্ত আৰু কোনে পৱিত্ৰ সত্যৰ অধিকাৰী সেই বিলাক আমি নাজানো। এই কাৰণে আমি কোনোবাক অভিশাপ নিদিওঁ। কিন্তু প্ৰতিপক্ষ যদি অভিশাপৰ আকাঙ্খা কৰে যদি সিহঁতৰ সাহস থাকি থাকে তেন্তে সিহঁতে স্বয়ং আহি নিজৰ দাবীৰ সত্যতাত নিজৰ ওপৰত অভিশাপ লৈ যাওঁক। যদি এনেকুৱা কৰাৰ সাহস থাকে তেনেহলে দেখিবলৈ পাব যে আল্লাহ তায়লাই সিহঁতক কিদৰে লাঞ্ছনা কৰি থাকে।

(খুতবা জুমা, বৰ্ণনাকৃত ৬ মাৰ্চ ১৯৮৭ খ্ৰীষ্টাব্দ)

ابن مریم مر گیا حق کی قسم
داخل جنت ہوا وہ محترم
(درثمین)

ইবনে মৰিয়ম মৃত্যুবৰণ কৰিছে, আল্লাহ তায়লাৰ শপত,জান্নাতবাসী হৈছে তেখেত মহাশয়। (দুৰৰে ছমিন)

بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

نحمدہ و نصلی علی رسولہ الکریم وعلی عبدہ المسیح الموعود

**খোদাৰ কৃপা আৰু দয়াৰ সৈতে, সেই জনা সহায়ক**

## আইনা কামালাতে ইছলাম
## কছম খোৰাৰ উদ্দেশ্য

কছম খোৰা সম্পৰ্কে এই কথা মনত ৰখা দৰকাৰ যে আল্লাহ তায়লাৰ নাম লৈ কছম খোৰাক মানুহৰ কছমৰ নিচিনা অনুমান কৰা পাৰ্থক্য কৰা অনুমান হয়। আল্লাহ তায়লা মানুহক আল্লাহৰ বাহিৰে অইন কোনোবাৰ কছম খোৰাত এই কাৰণে নিষেধ কৰিছে যে মানুহ যেতিয়া কছম খায় তেতিয়া তাৰ উদ্দেশ্য হৈ থাকে, সি এনেকুৰা এজনক প্ৰত্যক্ষদৰ্শী সাক্ষী ৰূপে উত্থাপন কৰিব খোজে, যিজনে তাৰ জ্ঞান অনুযায়ী তাৰ বৰ্ণনাকৃত বাক্যৰ সঁচা-মিছাৰ উপযুক্ত সাক্ষী হৈ থাকে। যদি চিন্তা কৰা হয় তেতিয়া বুজিব পৰা যাব যে সাক্ষীয়ে হ'ল কছমৰ আচল উদ্দেশ্য। কাৰণ যেতিয়া মানুহ সাধাৰণ সাক্ষী উত্থাপন কৰাত অক্ষম হয় তেতিয়া কছমৰ মুখাপেক্ষী হৈ থাকে; যাতে এজন মুখাপেক্ষী সাক্ষীৰ দৰে কছমৰ পৰা লাভবান হ'ব পৰা যায়। কিন্তু আল্লাহ তায়লাৰ বাহিৰে দৃষ্ট আৰু অদৃষ্টৰ সঁচা-মিছা নিৰ্ণয়কাৰী, শাস্তি প্ৰদানকাৰী বা অন্য কোনো বিষয়ৰ ওপৰত সৰ্বশক্তিমান আছে বুলি বিশ্বাস পোষণ কৰা কুফৰ। এই কাৰণে গোটেই মানৱ জাতিৰ উদ্দেশ্য ঐশ্বৰিক পুস্তকত আল্লাহ তায়লাৰ বাহিৰে অইন কোনোবাৰ কছম নোখোৰাৰ শিক্ষা দিয়া হৈছে।

উল্লেখ থাকিল যে আল্লাহ তায়লাৰ নামত কছম

খোৰাক মানুহৰ কছমৰ লগত তুলনা কৰা ঠিক নহয়। কাৰণ খোদা তায়লা মানুহৰ নিচিনা তেনেকুৰা সমস্যাৰ সন্মুখীন নহয় যেনেকুৰা মানুহ কছম খোৰাৰ সমস্যাত পৰে; বৰং তেওঁৰ শপত খোৰা ভিন্ন প্ৰকাৰৰ যি তেওঁৰ যথোপযুক্ত আৰু তাৰ প্ৰকৃতিৰ নিয়ম অনুযায়ী হৈ থাকে বৰং আল্লাহ তায়লাৰ পদমৰ্যাদা আৰু প্ৰাকৃতিক নিয়ম অনুযায়ী অন্য ৰূপে কছম খোৰা হয়। ( ৰুহানী খাজাইন ৫ ম খণ্ড, আইনা কামালাতে ইছলাম পৃঃ ৯৫-৯৬ টোকা)

دلبرا مجھ کو قسم تری یکتائی کی

آپ کو تیری محبت میں بھلایا ہم نے

(روحانی خزائن جلد 5 صفحہ 225)

প্ৰিয়তম, কছম তোমাৰ একত্ববাদৰ (খাই কৈছো)
আমি আত্ম বিস্মৃত হৈছো তোমাৰ প্ৰেমত।
( ৰুহানী খাজাইন,৫ম খন্ড, পৃঃ ২২৫ )

وَاللهِ اِنِّی قَدْ رَأَیْتُ جَمَالَهٗ
بِعُیُوْنِ جِسْمِیْ قَاعِدًا بِمَکَانِیْ

আল্লাহৰ কছম দেখিছো স্বয়ং তোমাৰ সৌন্দৰ্য,
মৃন্ময়ী শাৰিৰীক চকু দি, নিজৰ ঠাইত বহি বহি।
(ৰুহানী খাজাইন ৫ম খন্ড, পৃঃ ৫৯৩)

# হাকীকাতুল ওহী

এই উম্মতত এনেকুৰা মানুহ সৃষ্টি হ'ব যিসকলৰ নাম ইহুদী ৰখা হ'ব, এনেকুৰা ভাৱে এই উম্মতত এজন ব্যক্তিৰ আৱিৰ্ভাব হ'ব যাৰ নাম ঈছা আৰু প্ৰতিশ্ৰুত মছীহ ৰখা হ'ব। হজৰত ঈছা (আঃ)ক আকাশৰ পৰা নমোৰা

আৰু স্বাধীন নবুয়তৰ ভূষণ খুলি তেখেতক উম্মতি বনোৱাৰ কি প্ৰয়োজন আছে ? যদি কোৱা এই কাৰ্যক্ৰম শাস্তি স্বৰূপ হ'ব, কাৰণ তেখেতৰ উম্মতসকলে তেখেতক খোদা বনাইছিল তেন্তে এই উত্তৰ অৰ্থহীন। কাৰণ ইয়াত ঈছাৰ কি অপৰাধ আছিল ?

মই এই সকলো কথা কোনো ধাৰণা ভিত্তিত আৰু অনুমানৰ ভিত্তিত কোৱা নাই,বৰং খোদা তায়লাৰ ওহী প্ৰাপ্ত হৈ কৈ আছো। মই তাৰ কছম খাই কৈ আছো যে সেইজনাই মোক এয়া অৱগত কৰিছে। সময়ে মোৰ সাক্ষী দিছে। খোদাৰ নিদৰ্শন মোৰ সাক্ষী দিছে।

(ৰুহানী খাজাইন ২২খন্ড, পৃঃ ৩২-৩৩)

মোৰ যুগত ৰমজান মাহত চন্দ্ৰ, সূৰ্যৰ গ্ৰহণ লাগিছে; অনুৰূপ ভাৱে মোৰ যুগতেই কোৰাণ শ্বৰীফ আৰু হাদীছ অনুযায়ী দেশত মহামাৰী বিয়পিছে, নতুন নতুন যান-বাহন আৱিষ্কাৰ হৈছে,যেনেকুৱা ৰেল গাড়ী। মোৰ ভৱিষ্যতবাণী অনুযায়ী ধ্বংসাত্মক ভূমিকম্প আহিছে। অৰ্থাৎ এইবিলাক নিদৰ্শন পোৱা সত্ত্বেও মোৰ অস্বীকাৰ কৰাৰ সাহস দেখোৱাটো আল্লাহ ভীৰু মানুহৰ উচিত আছিল ?

চোৱা, মই আল্লাহ তায়লাৰ কছম (শপত) খাই কৈছো যে মোৰ সত্যতাৰ অসংখ্য নিদৰ্শন প্ৰকাশ পাইছে, পাই আছে আৰু ভৱিষ্যতত হৈ থাকিব। যদি এইটো মানুহৰ কাম হ'লহেঁতেন তেতিয়া এনেকুৱা ঐশ্বৰিক সাহায্য নাপালোহেঁতেন।

অসংখ্য নিদৰ্শনৰ মাজত মানুহক প্ৰৱঞ্চনা কৰাৰ বাবে কেৱল এটা বা দুটা ভৱিষ্যতবাণীক উত্থাপন কৰি কয় যে অমুক ভৱিষ্যতবাণী পূৰ্ণ হোৱা নাই। এনেকুৱা কোৱাটো ন্যায় বিচাৰক আৰু আল্লাহ ভীৰু সকলৰ কাম

নহয় । হে অজ্ঞসকল ! আৰু বিবেকৰ অন্ধ,ন্যায় বিচাৰৰ পৰা বহুত দূৰত থক সকল ! অসংখ্য ভৱিষ্যতবাণীৰ মাজত এটা বা দুটা ভৱিষ্যতবাণী পূৰ্ণ হোৱাটোৰ গূঢ়াৰ্থ যদি বুজিব নোৱাৰা আৰু এয়া ভাবি যদি সকলো ভৱিষ্যতবাণীক অস্বীকাৰ কৰা তেতিয়া আল্লাহ তায়লাৰ সন্মুখত অভিযোগ উত্থাপন কৰাৰ কোনো পথ নাথাকিব । অসহায় হৈ থিয় দি থাকিব লাগিব ? **তৌবা** কৰা, আল্লাহ তায়লাৰ সেই দিন অতি কাষ চাপি আহি গৈছে, যিদিনা এনেকুৰা নিদৰ্শন প্ৰকাশ পাব,যাৰ প্ৰতিফলত পৃথিৱীক কঁপন কৰি তুলিব ।

(ৰুহানী খাজাইন, ২২ ম খন্ড, পৃঃ ৪৮)

# হাশ্বীয়া

যিবিলাক ঐশ্বৰিক নিদৰ্শন মোৰ সমৰ্থনত প্ৰকাশ পাইছে, সেইবিলাক যদি গণনা কৰা হয় তেন্তে গোটেই বিলাক মিলি তিনি লাখৰও অধিক হ'ব ।

অৰ্থাৎ অসংখ্য নিদৰ্শনৰ পৰা লাভবান নহৈ দুই বা তিনিটা নিদৰ্শন প্ৰতিপক্ষৰ দৃষ্টিত যদি সন্দেহজনক হৈ থাকে,এনে অৱস্থাত সেই ভৱিষ্যতবাণীক কেন্দ্ৰ কৰি হৈ-হাল্লা কৰা কোনো আল্লাহ ভীৰু মানুহৰ কাম নহয় ।পূৰ্ববৰ্তী নবীসকলৰ ভৱিষ্যতবাণীৰ মাজত এই ধৰণৰ উদাহৰণ পোৱা নাযায় নে ?

وَاَمَّا بِنِعْمَةِ رَبِّكَ فَحَدِّثْ ﴿١٢﴾ (93:12)

তোমাৰ প্ৰতিপালকৰ যিবোৰ অনুগ্ৰহৰাজি আছে, সেইবিলাক তুমি প্ৰকাশ কৰি থাকা । (ছুৰা আজজুহা আয়াত ১২) আয়াত অনুযায়ী এতিয়া মই নিজৰ সম্পৰ্কে বৰ্ণনা কৰিছোঁ যে খোদা তায়লা মোক সেই তৃতীয় স্তৰত

অৰ্ন্তভুক্ত কৰি সেইসকল নিয়ামত দান কৰিছে যি মোৰ প্ৰচেষ্টাৰ ফল নহয়; বৰং মাতৃ গৰ্ভত মোক দান কৰা হৈছে। মোৰ সমৰ্থনত তেওঁ সেইসকল নিদৰ্শন প্ৰকাশ কৰিছে,যদি সেইবিলাকক এটা এটা কৰি চামিল কৰি তাৰিখ ১৬ জুলাই,১৯০৬ খ্ৰীষ্টাব্দলৈ গণনা কৰোঁ,খোদা তায়লাৰ কছম খাই কৈছো যে সেইবিলাক তিনি লাখৰও অধিক হ'ব। কোনোবা যদি মোৰ কছমৰ ওপৰত বিশ্বাস নকৰে তেওঁক মই প্ৰমাণ দিব পাৰিম।

(ৰুহানী খাজাইন, ২২ খন্ড, পৃঃ ৭০)

মহামাৰীৰ দিনত যেতিয়া কাদিয়ানত ব্যাপক ভাৱে মহামাৰীয়ে দেখা দিলে তেতিয়া মোৰ ল'ৰা শ্বৰীফ আহমদ অসুস্থ হ'ল।তেওঁৰ তীব্ৰ জ্বৰ দেখা দিলে। এনে অৱস্থাত ল'ৰা জন সম্পূৰ্ণ অজ্ঞান হৈ পৰিল আৰু অজ্ঞান অৱস্থাতে হাত-ভৰি ছটফটাবলৈ ধৰিলে। মোৰ মনত পৰিল যদিও মানুহ মৃত্যুৰ অধীন, তথাপি প্লেগৰ এই প্ৰাদুৰ্ভাৱৰ সময়ত যদি ল'ৰা টাইফয়ড জ্বৰত মৃত্যু হয় তেতিয়া শত্ৰুসকলে এই জ্বৰক মহামাৰী সাব্যস্ত কৰিব আৰু খোদা তায়লাৰ পৱিত্ৰ ওহীক মিছা বুলি আখ্যায়িত কৰিব,যিটো তেখেত (আঃ) য়ে কৈছিল,

انّی احافظ کلّ من فی الدار

অৰ্থ ঃ- অৰ্থাৎ তোমাৰ চাৰি সীমাৰ ভিতৰত যিসকলে আছে সিহঁতক নিশ্চয় মই সুৰক্ষিত ৰাখিম।

এই চিন্তাত মোৰ হৃদয় এনেকুৱা বেদনাৰ উদ্ৰেক হ'ল যি মই বৰ্ণনা কৰিব নোৱাৰো। প্ৰায় ৰাতি বাৰ বজাৰ সময়ত ল'ৰাৰ অৱস্থা বেছি বেয়া হৈ গ'ল,তেতিয়া মোৰ মনত ভয়ৰ সঞ্চাৰ হ'ল যে এইটো সাধাৰণ জ্বৰ নহয়,এইটো বেলেগ

এটা বিপদ । মই বৰ্ণনা কৰিব নোৱাৰো তেতিয়া মোৰ মনত কি অৱস্থা হৈছিল । খোদা নকৰক যদি ল'ৰাৰ মৃত্যু হৈ যায় তেতিয়া দুষ্ট প্ৰকৃতিৰ মানুহৰ হাতত সত্য গোপন কৰাৰ সুযোগ আহি যাব ।এই অৱস্থাত মই অজু কৰিলোঁ আৰু নামাজৰ কাৰণে থিয় দিলো । ঠিক থিয় হোৱাৰ লগে লগে মোৰ এনেকুৱা অৱস্থা হ'ল যি দোৱা গ্ৰহণযোগ্যৰ নিমিত্তে এক সুস্পষ্ট নিদৰ্শন । মই সেই খোদাৰ কছম খাই কৈছো, যাৰ হাতত মোৰ প্ৰাণ আছে, সম্ভৱত মই তিনি ৰাকাত নামাজ পঢ়িছিলো । সেই সময়ত মোৰ ওপৰত কাশ্বফী অৱস্থা ( দিব্য দৰ্শনৰ অৱস্থা) জাৰি হয় আৰু মই কাশ্বফত দেখিলো ল'ৰা জন সম্পূৰ্ণ ৰূপে সুস্থ আছে । তাৰ পিছত কাশ্বফী অৱস্থা আঁতৰ হ'ব ধৰিলে,আৰু মই দেখিব পাৰিলো যে ল'ৰা জনে জ্ঞান ঘূৰাই পাইছে আৰু বিছনাত বহি পানী খুজি আছে । মই চাৰি ৰাকাত নামাজ শেষ কৰিলোঁ । তৎক্ষণাত মই তেওঁক পানী দিলো আৰু তাৰ শৰীৰত হাত লগাই চালো জ্বৰৰ নাম চিহ্নও নাই ।

(ৰুহানী খাজাইন, ২২ খন্ড, পৃঃ ৮৭-৮৮)

**২১ নম্বৰ নিদৰ্শন**ঃ অনুমানিক ত্ৰিশ (৩০) বছৰ পূৰ্বত মোৰ শ্ৰদ্ধেয় পিতা তেখেতৰ শেষ বয়সত অসুস্থ হয় । খোদা তেখেতক ৰহম কৰক । যিদিনা তেখেতৰ মৃত্যু নিৰ্দ্ধাৰিত আছিল সেই দিনা দুপুৰীয়াত মোক ইলহাম হয়,

وَالسَّماءِ وَالطَّارِق (86:2) আৰু লগে লগে মোৰ হৃদয়ত এই কথা ভাৱৰ উদ্ৰেক হয় এইটো তাৰ মৃত্যুৰ প্ৰতি ইঙ্গিত কৰিছে ।এই ইলহামৰ অৰ্থ এই যে কছম আকাশৰ আৰু কছম সেই দুৰ্ঘটনাৰ যি সূৰ্য অস্তৰ পিছত ঘটিব ।এইটো খোদা তায়লাৰ ফালৰ পৰা নিজ নিজ বান্দাৰ প্ৰতি

সহানুভূতি আছিল। তেতিয়া মই বুজিব পাৰিলো যে মোৰ শ্রদ্ধেয় পিতা সুৰ্য অস্তৰ পিছত মৃত্যু হ'ব, আৰু কিছুমান ব্যক্তিক মই এই ইলহামৰ সংবাদ দিছিলো। মই আল্লাহ তায়লাৰ কছম খাই কৈছো যাৰ হাতত মোৰ প্ৰাণ আছে আৰু যাৰ সম্পৰ্কে মিছা কোৰা চয়তান আৰু অভিশপ্ত মানুহৰ কাম,এনেকুৰাই ঘটিল। (ৰুহানী খাজাইন খন্ড ২২, পৃঃ ২১৮ হাকীকাতুল)

সেই সময়ত তন্দ্ৰাছন্ন অৱস্থাত দ্বিতীয় ইলহাম হয় **اليس الله بكافٍ عبدهٗ** অৰ্থাৎ খোদা কি নিজৰ ভৃত্যৰ কাৰণে যথেষ্ট নহয় ? খোদাৰ এই ইলহাম হোৱাৰ লগে লগে হৃদয় এনেকুৰা শক্তিশালী হৈ যায় যেনেকুৰাএটা কঠোৰ যন্ত্ৰণাদায়ক ক্ষত কোনো মলমৰ দ্বাৰা অতি সোনকালে আৰোগ্য প্ৰাপ্ত হয়। প্ৰকৃত পক্ষে মোৰ জীৱনত বাৰে বাৰে এই বিষয়টো পৰিলক্ষিত হৈছে যে হৃদয়ৰ প্ৰশান্তি খোদাৰ ওহীৰ পিছত লাভ কৰিব পৰা যায়।পৰিতাপ, সেই সকল মানুহৰ ইলহামৰ ধাৰণা কেনেকুৰা যে ইলহামৰ দাবী হোৱা সত্ত্বেও সিহঁতে এইটো কয় আমাৰ এই ইলহাম ধাৰণা প্ৰসূত। নাজানো এইটো চয়তানী ইলহাম নে ৰহমানী ইলহাম; এনেকুৰা ইলহামৰ ক্ষতি সিহঁতৰ লাভত কৈ অধিক। কিন্তু মই খোদা তায়লাৰ কছম খাই কৈছো যে মই এই বিলাক ইলহামৰ ওপৰত সেই দৰে ঈমান আনো যিদৰে কোৰাণ শ্বৰীফৰ ওপৰত ঈমান আনো,যেনেকুৰা মই কোৰাণ শ্বৰীফক নিশ্চিত ভাৱে খোদাৰ কালাম বুলি বিশ্বাস কৰো, ঠিক তেনেকুৰাই এই কালামকো বিশ্বাস কৰো যিবিলাক মোৰ ওপৰত অৱতীৰ্ণ হয়। এইবিলাকক মই খোদা তায়লাৰ কালাম বুলি বিশ্বাস কৰো।

(ৰুহানী খাজাইন খন্ড ২২, পৃঃ ২১৯-২২০)

**১০৫ নম্বৰ নিদৰ্শন :** এবাৰ মোৰ ভাই মৰহুম মিৰ্জা গোলাম কাদিৰ চাহাবৰ সম্পৰ্কে মোক সপোনত দেখুৱালে যে তেওঁৰ জীৱনৰ আৰু কিছু দিন বাকী আছে,বেছি বেছিকৈ ১৫ দিন। তাৰ পিছত এদিন খুব অসুস্থ হৈ পৰে। এনেকুৱা হৈ যায় যে মাথোন হাড় দেখা যায় আৰু ইমান দুৰ্বল হৈ পৰিল যে বিছনাৰ ওপৰত বহি থকা অৱস্থাত এনেকুৱা লাগিছে যে কোনোবা বিছনাৰ ওপৰত বহাই নাই; অৰ্থাৎ খালি বিছনা। পেচাৰ-পায়খানা তাতেই কৰিছে। তেওঁ অজ্ঞান অৱস্থাত আছে। মোৰ পিতা মৰহুম মিৰ্যা গোলাম মৰতজা চাহাব বৰ দক্ষ্য চিকিৎসক আছিল। তেখেতে কলে, এতিয়া অৱস্থা নিৰাশাজনক। মাথোন কিছু দিনৰ কথা। মোৰ মাজত সেই সময়ত যুৱক বয়সৰ শক্তি আছিল আৰু মোৰ মাজত আধ্যাত্মিক শক্তিও আছিল। মোৰ প্ৰকৃতি এনেকুৱা আছিল যে মই সকলো বিষয়তে খোদাক শক্তিশালী বুলি বিশ্বাস কৰিছোঁ। প্ৰকৃত পক্ষে কোনে তাৰ শক্তিৰ সীমা বিচাৰি পায়, যি সকলো বিষয় তাৰ প্ৰতিশ্ৰুতিৰ পৰিপন্থী বা তাৰ মৰ্যাদাৰ বিৰোধ আৰু তাৰ তৌহিদৰ বিপৰীত-এই বিলাকৰ বাহিৰে তাৰ ওচৰত একোৱে অসম্ভৱ নহয়। সেয়েহে এনে অৱস্থাত মই তাৰ কাৰণে দোৱা কৰিব আৰম্ভ কৰিলোঁ। মই মনে মনে স্থিৰ কৰি ললো যে এই দোৱা মই তিনিটা বিষয়ত নিজৰ তত্বজ্ঞান বৃদ্ধি কৰিব খোজো (১) প্ৰথম হ'ল, মই দেখিব খোজো খোদাৰ ওচৰত মোৰ দোৱা গ্ৰহণযোগ্য হোৱাৰ নিচিনা মোৰ যোগ্যতা আছে নে নাই। (২) দ্বিতীয়টা এয়া যে যিসকল সপোন আৰু ইলহাম ভীতিপ্ৰদ আকাৰত আহে সেইটো কি পলম হ'ব পাৰে। (৩) তৃতীয় এই যে এই শ্ৰেণীৰ ৰোগী যাৰ মাজত খালি হাড় আছে দোৱাৰ

ফলত তেওঁ ঠিক হ'ব পাৰেনে নাই ? মূল কথা হ'ল এই তিনিটা বিষয়ৰ ওপৰত ভিত্তি কৰি মই দোৱা কৰা আৰম্ভ কৰিলোঁ। অৰ্থাৎ কছম সেই সত্যৰ যাৰ হাতত মোৰ প্ৰাণ আছে, দোৱাৰ লগে লগে পৰিৱৰ্তন আৰম্ভ হৈ গ'ল। ইতিমধ্যে মই আৰু এটা সপোন দেখিলো যে তেখেতে নিজৰ বিল্ডিংত নিজৰ ভৰিৰে চলি আছে, আৰু অৱস্থা এনেকুৱা আছিল যে অইন ব্যাক্তিয়ে কাতি কৰি আছিল। যেতিয়া দোৱা কৰি কৰি ১৫ দিন অতিবাহিত হ'ল তেতিয়া তাৰ মাজত স্বাস্থ্যৰ বাহ্যিক চিহ্নাৱলী সৃষ্টি হৈ গ'ল। তেখেতে ইচ্ছা প্ৰকাশ কৰিলে যে মোৰ মনত ইচ্ছা হয় মই যেন খোজ কাঢ়ো। তেওঁ কিবা বস্তুৰ সহায়ত খোজ কাঢ়িব আৰম্ভ কৰিলে, তাৰ পিছত লাঠীডাল এৰি দিলে। কিছু দিনৰ ভিতৰত সুস্থ হৈ উঠিল। তাৰ পিছত তেখেতে ১৫ বছৰ জীৱিত থাকে আৰু তাৰ পিছত মৃত্যু বৰণ কৰে। (ৰুহানী খাজাইন খন্ড ২২, পৃঃ ২৬৫-২৬৬)

**১৩৫ নম্বৰ নিদৰ্শন:** প্ৰায় ২০ বছৰ ধৰি মই বহুমুত্ৰ (চুগাৰ)ৰোগত আক্ৰান্ত। এবাৰ এই ৰোগৰ ধৰণ মোৰ চকুৰ দৃষ্টিৰ সন্দৰ্ভত ভীতিগ্ৰস্থই দেখা দিলে। কাৰণ এনেকুৱা ৰোগীৰ চকুৰ পৰা পানী পৰাৰ বেছি ভয় থাকে। তেতিয়া খোদা তায়লাৰ স্বকীয় কৃপাত মোক তাৰ এই ওহীৰ মাধ্যমে সান্তনা আৰু আৰোগ্য প্ৰদান কৰে। ওহীটো হ'ল

نزلت الرحمة علٰى ثلٰث۔ العين وعلى الاُخريين

অৰ্থাৎ তিনিটা অঙ্গৰ ওপৰত ৰহমত নাযিল কৰা হৈছে। এটা হ'ল **চকু** আৰু দুটা অংগ যাৰ ব্যাখ্যা দিয়া হোৱা নাই। মই খোদা তায়লাৰ কছম খাই কৈছো যে ১৫,২০ বছৰ বয়সত মোৰ যেনেকুৱা দৃষ্টি শক্তি আছিল আজি প্ৰয় ৭০

বছৰ বয়সতে মোৰ দৃষ্টিশক্তি তদ্রুপই আছে। অৰ্থাৎ এইটোই সেই ৰহমত যাৰ প্ৰতিশ্ৰুতি খোদা তায়লাৰ ওহীত দিয়া হৈছিল। (ৰুহানী খাজাইন খন্ড ২২, পৃ: ৩১৯)

**১৩৮ নম্বৰ নিদৰ্শনঃ** স্মৰণ ৰাখিব লাগিব যে খোদাৰ ভৃত্যসকলৰ গ্ৰহণযোগ্যতা বুজাৰ নিমিত্তে দোৱা গৃহীত হোৱাও এটা ডাঙৰ নিদৰ্শন হৈ থাকে; বৰং দোৱা গৃহীত হোৱাৰ নিদৰ্শনৰ সদৃশ আন কোনো নিদৰ্শনই নাই। কাৰণ দোৱা গৃহীত হোৱাৰ দ্বাৰা প্ৰমাণিত হয় যে খোদাৰ দৰবাৰত এক বান্দাৰ মৰ্যাদা আৰু সন্মান আছে যদিও প্ৰত্যেক সময়ত দোৱা গৃহীত হৈ যোৱাটো আৱশ্যকীয় বিষয় নহয়। কেতিয়াবা কেতিয়াবা মহাপ্ৰতাম্বিত আৰু সন্মানিত খোদা নিজৰ ইচ্ছাও অটল (প্ৰতিষ্ঠিত) ৰাখে। কিন্তু ইয়াত কোনো সন্দেহ নাই খোদাৰ গৃহীত ভৃত্যসকলৰ বাবে এইটো এটা নিদৰ্শন যে, অন্যান্য সকলৰ তুলনাত বেছি বেছি দোৱা গৃহীত হয় আৰু আন কোনোবা দোৱা গৃহীত হোৱাৰ মৰ্যাদাত সিহঁতৰ তুলনা কৰিব নোৱাৰে। মই খোদা তায়লাৰ কছম (শপত) খাই ক'ব পাৰো মোৰ হাজাৰ হাজাৰ দোৱা গৃহীত হৈছে। যদি মই সকলোবিলাক লিখো তেতিয়া এখন ডাঙৰ পুস্তক হৈ যাব।

(ৰুহানী খাজইন খন্ড ২২, পৃ: ৩৩৪)

মই সেই আল্লাহৰ শপত (কছম) খাই কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে, যিয়ে মোক প্ৰেৰণ কৰি নবী আৰু মছীহ মাওউদ নামে আখ্যায়িত কৰিছে আৰু মোৰ সহায়ৰ কাৰণে ডাঙৰ ডাঙৰ নিদৰ্শন প্ৰকাশ কৰিছে, যাৰ সংখ্যা তিনি লাখ মান হ'ব। তাৰ কিছু অংশ এই পুস্তকত লিখা হ'ল। (ৰুহানী খাজাইন খন্ড ২২, পৃ: ৫০৩)

# মোৰ ভৱিষ্যতবাণী অনুযায়ী আমেৰিকাৰ বাসিন্দা ডঃ আলেকজেন্ডাৰ ডুই মিছলীয়া নবী দাবীদাৰ ধ্বংস হয়।

**নিদৰ্শন নং ১৯৬ঃ**- উল্লেখ থাকিল যে উপৰোক্ত ব্যক্তি ইছলামৰ চৰম শত্ৰু হোৱাৰ বাহিৰে মিছা নবী হোৱাৰ দাবী কৰিছিল আৰু হজৰত মহম্মদ (ছাঃ)ক মিছলীয়া বুলি কৈছে, তেখেত (ছাঃ)ৰ সন্দৰ্ভত অশ্লীল ভাষা প্ৰয়োগ কৰিছে আৰু তাৰ ভিতৰত এনেকুৱা বেয়া অভ্যাস আহি গৈছিল যে ঈৰ্ষা আৰু বিদ্বেষৰ কাৰণে ইছলামী শিক্ষাক বেয়া বুলি ভাৱিছে যেনেকুৱা গাহৰিৰ সন্মুখত মনি-মুকুতাৰ কোনো মূল্য নাই তেনেকুৱা ভাৱে ইছলামক ঘৃণাৰ দৃষ্টিত দেখিছে আৰু ইছলামক নিৰ্মূল কৰিব খুজিছিল। বেলেগ ফালে হজৰত ঈছা (আঃ)ক ঈশ্বৰ বুলি বিশ্বাস কৰি ত্ৰিত্ববাদক পৃথিৱীত বিয়পাবলৈ অন্যান্য পাদৰীসকলৰ তুলনাত তেওঁৰ মাজত অত্যাধিক উদ্দীপনা আছিল।

(ৰুহানী খাজাইন খন্ড ২২, পৃঃ ৫০৪,৫০৫)

কাৰণ মোৰ আচল কাম হ'ল ক্ৰুছক ধ্বংস কৰা আৰু আলেকজেন্ডাৰ ডুইৰ মৃত্যুৰ পিছত ক্ৰুছৰ ডাঙৰ অংশ ধ্বংস হৈ গৈছিল। গোটেই পাদৰীসকলৰ মাজত ডুই ত্ৰিত্ববাদৰ ওপৰত প্ৰবল বিশ্বাসী আছিল আৰু লগতেই নবী হোৱাৰ দাবী কৰিছিল আৰু কৈছিল যে,মোৰ অভিশাপত সকলো মুছলমান ধ্বংস হ'ব আৰু ইছলাম ধৰ্মৰ অন্ত পৰিব। খানা কাবা বিলুপ্ত হৈ যাব। আল্লাহ তায়লা মোৰ দোৱাৰ প্ৰতিফলস্বৰূপে তেওঁক ধ্বংস কৰিছে। মই জানো যে ডুইৰ মৃত্যুৰ ফলত গাহৰি বধ কৰাৰ ভৱিষ্যত বাণীটো অতি সুন্দৰ ভাৱে পূৰ্ণ হৈছে।

কাৰণ তেওঁতকৈ অধিক হিংস্র আৰু ভয়ঙ্কৰ ব্যক্তি কোন হ'ব পাৰে ? যি ব্যক্তি অসৎ পথ অৱলম্বন কৰি নবী হোৱাৰ দাবী কৰিছে যি ব্যক্তি গাহৰিৰ নিচিনা দুৰ্গন্ধ যুক্ত খাদ্য খাইছে, ডুই নিজেই লিখিছে যে ধনী মানুহ তেওঁৰ অনুসৰণকাৰীৰ সংখ্যা এক লাখৰও অধিক। অৰ্থাৎ **মুছাইলিমা বিন কাজ্জাব আৰু আছৱাদ আনাছী,** ডুইৰ তুলনাত একোৱেই নহয়। সিহঁতে ডুইৰ নিচিনা খ্যাতি সম্পন্ন আৰু ধনৱন্ত নাছিল। এয়াই সেই শ্বোৰ (গাহৰি) যিয়ে হজৰত মছীহ মাওউদ (আঃ)ৰ হাতত বধ হ'ব বুলি হজৰত মহম্মদ (ছাঃ)য়ে সংবাদ দিছিল। (ৰুহানী খাজাইন ২২ খন্ড পৃঃ ৫১৩)

## তিনি হাজাৰ টকাৰ পুৰস্কাৰৰ বিজ্ঞাপন

**আব্দুল্লাহ আথম সম্বন্ধে হজৰত মছীহ মাওউদ (আঃ) য়ে কৈছে,**:-আথম মোৰ উপস্থিতিত জনসাধাৰণৰ সন্মুখত কছম খাওঁক যে মই নিৰ্দ্ধাৰিত ভৱিষ্যতবাণীৰ সময় কালৰ মাজত ইছলামৰ ফালে প্ৰত্যাবৰ্ত্তন কৰা নাই আৰু ইছলামৰ শিক্ষা আৰু সত্যতাত মোৰ মন প্ৰভাৱিত হোৱা নাই, মোৰ মনত ভৱিষ্যত বাণীৰ আধ্যাত্মিক প্ৰভাৱ পৰা নাই বৰং মই ঈছা মছীহৰ ঈশ্বৰত, পুত্ৰত্ব, প্ৰায়শ্চিত্বৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখো। যদি মই বিপৰীত কৈ থাকো অথবা আচল ঘটনাক লুকাই থাকো তেন্তে সৰ্বশক্তিমান খোদা মোক এবছৰৰ মাজতেই এনেকুৱা ভয়ানক শাস্তিৰ দ্বাৰা ধ্বংস কৰক। যেনেকুৱা শাস্তি মিছলীয়া সকলৰ ওপৰত হোৱা উচিত। মোৰ এই ধৰণৰ কছম খোৱাৰ কাৰণে আজিলৈকে তিনি হাজাৰৰ অধিক প্ৰচাৰ পত্ৰ বিতৰণ কৰিছোঁ। **মই শপত খাই কৈছো যে,৯ চেপ্তেম্বৰ ১৮৯৪ চনৰ প্ৰচাৰ পত্ৰৰ চৰ্তানুযায়ী তিনি হাজাৰ টকা** ,

কছম খোৱাৰ পূৰ্বে দি দিয়া হ'ব আৰু তাৰ পিছত কছম খোৱাৰ কাৰণে কোৱা হ'ব। এতিয়াও কোনোবাৰ বিশ্বাস হয় নে যে আব্দুল্লাহ আথম কছম খোৱাৰ কাৰণে প্ৰস্তুত হ'ব ? কেতয়াও নহয়,তেওঁ মিছলীয়াৰ দৰে মৃত্যু বৰণ কৰিছে, কবৰৰ পৰা আকৌ ঘূৰি অহা সম্ভৱ নে ? (মজমুৱা ইশ্বতেহাৰ ২য় খন্ড, পৃঃ ৬৭-৬৮, প্ৰকাশক আশ শিৰকাতুল ইছলামীয়া ৰাবোৱা চন ১৯৭২)

## ঐশ্বৰিক ক্ষমতা

এয়া হ'ল আমাৰ শত্ৰু আলিমসকলৰ অৱস্থা, সিহঁতে কোৰাণ শ্বৰীফ আৰু হাদীছ অধ্যয়ন কৰা সত্ত্বেও ভীতি প্ৰদৰ্শনকাৰী ভৱিষ্যতবাণী আৰু প্ৰতিশ্ৰুতি মূলক ভৱিষ্যতবাণীৰ মাজত পাৰ্থক্য কৰিব নাজানে।

আব্দুল্লাহ আথমৰ ঘটনাৰ পিছত, লেখৰাম সম্বন্ধীয় ভৱিষ্যতবাণী স্পষ্টভাৱে পূৰ্ণ হয়, যাৰ মাজত কোনো চৰ্ত নাছিল মৃত্যুৰ সময় আৰু মৃত্যুৰ ধৰণ স্পষ্ট ভাৱে উল্লেখ আছিল। কিমানেই সুস্পষ্টভাৱে এই ভৱিষ্যতবাণী পূৰ্ণ হৈছে সেয়া অলপ চিন্তা কৰিলে বুজিব পৰা যায়; কিন্তু ঈৰ্ষাৰ কাৰণে সিহঁতৰ হৃদয় কলুষিত হৈ আছে। আলিম সকলৰ দৃষ্টিত সঁচা-মিছা প্ৰমাণ কৰাৰ বাবে লেখৰামৰ ভৱিষ্যতবাণীটোৱে যথেষ্ট আছিল। কিছু ভৱিষ্যতবাণী সম্পৰ্কে সমালোচনা নকৰি সিহঁতে যদি মোক সুধিলে হয় যে পূৰ্ণকৃত ভৱিষ্যতবাণীৰ সংখ্যা কিমান ? তেতিয়া সিহঁতৰ ভুল ধাৰণা দূৰ হৈ গ'ল হয়। কিছুমান ভীতিমূলক ভৱিষ্যতবাণী, যাৰ লগতে চৰ্ত আছিল, প্ৰতিক্ষয় ভয় পোৱাৰ কাৰণে সেই ভৱিষ্যতবাণীৰ সময়কাল দীৰ্ঘ হৈ যায়, ভয়ভীতি মূলক ভৱিষ্যতবাণী তৌবা, দান, দোৱাৰ মাধ্যমে স্থগিত হৈ যায় আৰু মই আল্লাহৰ শপত খাই ক'ব পাৰো

যে এইটোই আল্লাহ তায়লাৰ পূৰ্বৰে নিয়ম। (ৰুহানী খাজাইন খন্ড ২০, পৃঃ ৪০৬-৪০৮)

মোৰ অজ্ঞ বিৰোধীসকলক আল্লাহ তায়লা বিভিন্ন ধৰণৰ নিদৰ্শন দেখুৱাই অসন্মানিত কৰি থাকে। মই সেই আল্লাহৰ শপত খাই কওঁ যি হজৰত ইব্ৰাহিম (আঃ), ইছমাইল (আঃ), ইয়াকুব (আঃ), ইয়ুছুফ (আঃ), মুছা (আঃ), মছীহ ইবনে মৰিয়ম (আঃ) আৰু সৰ্বশেষত আমাৰ নবী হজৰত মহম্মদ (ছাঃ) ৰ সৈতে কথা পাতিছে আৰু তেখেত (ছাঃ)ৰ ওপৰত উজ্জ্বলময় ভৱিষ্যতবাণী অৱতীৰ্ণ কৰিছে। ঠিক সেই দৰে আল্লাহ তায়লা মোৰ সৈতেও কথোপকথনৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে। মই মাথোন হজৰত মহম্মদ (ছাঃ)ৰ অনুসৰণৰ মাধ্যমত এই সৌভাগ্য লাভ কৰিছোঁ। যদি মই হজৰত মহম্মদ (ছাঃ)ৰ অনুসৰণ নকৰিলোঁ হয় আৰু যদি মোৰ কৰ্ম পৃথিৱীৰ গোটেই পাহাৰৰ নিচিনা হ'ল হয় তথাপি মই আল্লাহ তায়লাৰ সৈতে কথোপকথনৰ সৌভাগ্য লাভ কৰিব নোৱাৰিলোঁ হয়।এতিয়া চৰিয়ত বিহীন আৰু উম্মতী নবী অহাৰ দুৱাৰ মুকলি আছে আৰু চৰিয়ত ধাৰী নবী অহাৰ বাট বন্ধ হৈ আছে। (ৰুহানী খাজাইন, খন্ড ২০, পৃঃ ৪১১-৪১২)

## ছিৰাজে মুনীৰ (উজ্জ্বময় সূৰ্য)

যেনেকুৱা লেখৰামৰ মৃত্যুত মোৰ মন আনন্দিত হৈছে আনফালে ফালে দু:খিতও হৈছো, যদি লেখৰাম পৰামূখ হ'ল হয়,আৰু কমপক্ষে অশ্লীল ভাষা প্ৰয়োগ কৰাৰ পৰা বিৰত থাকিলে হয় তেতিয়া মই আল্লাহ তায়লাৰ শপত খাই কৈছো যে লেখৰাম যদি টুকুৰা-টুকুৰও হৈ গ'ল হয় তথাপি মোৰ দোৱাৰ মাধ্যমত বাচি গ'ল হয়। মই সেই আল্লাহক

জানো যি সৰ্ব শক্তিমান,কোনো বিষয়ও তাৰ ক্ষমতাৰ বাহিৰত নহয়, আৰু ভৱিষ্যতবাণীটো সুস্পষ্টৰূপে পূৰ্ণ হোৱাৰ কাৰণে মই আনন্দ বোধ কৰিছোঁ।

( ৰুহানী খাজাইন খন্ড ১২, পৃ: ২৮)

**১২ নম্বৰ ভৱিষ্যতবাণী, যিটো বাৰাহিনে আহমদীয়াৰ ২৩৮-২৩৯ পৃষ্ঠাত কোৰাণ শ্বৰীফ সম্পৰ্কিত জ্ঞান সম্পৰ্কে বৰ্ণনা কৰা হৈছে,** যাৰ মূল সাৰাংশ হ'ল,আল্লাহ তায়লা কৈছে তোমাক এনেকুৱা কোৰাণৰ জ্ঞান দিয়া হৈছে যিয়ে মিছাক নিৰ্মূল কৰিব, সেই ভৱিষ্যতবাণীত কৈছে, দুজন ব্যক্তিৰ ওপৰত কৃপা বৰ্ষণ কৰা হৈছে .প্ৰথম হ'ল: শিক্ষক মহম্মদ মোস্তফা (ছাঃ) আৰু দ্বিতীয় হ'ল ছাত্ৰ, অৰ্থাৎ এই পুস্তকৰ লিখক কোৰাণ শ্বৰীফৰ নিম্ন লিখিত আয়াত সেই ফালেই ইঙ্গিত কৰিছে,

وَآخَرِينَ مِنْهُمْ لَمَّا يَلْحَقُوا بِهِمْ (62:4)

অৰ্থাৎ এই নবীৰ আৰু অনুসৰণকাৰী আছে যিসকলে এতিয়াও সন্মিলিত হোৱা নাই, সিহঁতে শেষ যুগত সন্মিলিত হ'ব। উপৰোক্ত আয়াতটোয়ে এই অধমৰ ফালে ইঙ্গিত কৰিছে। যেনেকুৱা ইলহামতো উল্লেখ আছে যে এই অধম আধ্যাত্মিক ফালৰ পৰা হজৰত মহম্মদ (ছাঃ)ৰ ছাত্ৰসকলৰ মাজত অৰ্ন্তভুক্ত। এই ভৱিষ্যতবাণী কোৰাণ শ্বৰীফৰ শিক্ষাৰ প্ৰতি আমাক দৃষ্টি আকৰ্ষণ কৰিছে। এই ভৱিষ্যতবাণীৰ সত্যতা প্ৰকাশৰ কাৰণে পুস্তক কেৰামাতুছ ছাদিকিনত লিখা হৈছে যাৰ সম্পৰ্কে প্ৰতিদ্বন্দ্বি ধৰ্মজ্ঞানী ব্যক্তিসকলে কোনো সমালোচনা কৰা নাই। মই সেই আল্লাহৰ শপত খাই কৈছো যাৰ হাতত মোৰ প্ৰাণ আছে, আল্লাহ তায়লা মোক অন্যান্য মানুহৰ তুলনাত কোৰাণ

সম্পৰ্কে অধিক তত্ত্বজ্ঞান প্ৰদান কৰিছে। বহুত ধৰ্মজ্ঞানী সকলক মই কোৰাণ শ্বৰীফৰ তত্ত্বজ্ঞানৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে আহ্বান কৰিছোঁ কিন্তু কোনেও অহা নাই। যদি সিহঁতৰ মাজত কোনোবা কোৰাণ শ্বৰীফৰ তফছিৰ উত্থাপন কৰাৰ বাবে আহিলেহেঁতেন, তেতিয়া তেওঁ অপমান আৰু লাঞ্ছিত হ'লহেঁতেন। কোৰাণ শ্বৰীফৰ যি জ্ঞান মোক দিয়া হৈছে সেয়া আল্লাহ তায়লাৰ ফালৰ পৰা এটা ডাঙৰ নিদৰ্শন হয়।

(ৰুহানী খাজাইন খন্ড ১২, পৃ: ৪০-৪১)

বাৰাহিনে আহমদীয়া পুস্তকৰ ২২৭ নং পৃষ্ঠাত **মালাওয়ামল** নামৰ এজন আৰ্য্য ব্যক্তি সম্পৰ্কে এটা ভৱিষ্যতবাণী আছে সি এতিয়াও জীৱিত আছে। এবাৰ তেওঁ যক্ষা ৰোগত আক্ৰান্ত অৱস্থাত নিজৰ জীৱনৰ ওপৰত ভৰসাহীন হৈ কান্দি কান্দি মোৰ ওচৰত আহি এটা দুঃস্বপ্ন বৰ্ণনা কৰে। এটা বিষাক্ত সাপে তেওঁক কামোৰে যাৰ ফলত সাপৰ বিষ গোটেই শৰীৰত বিয়পি পৰে। অৰ্থাৎ যক্ষা ৰোগত আক্ৰান্ত অৱস্থাত এই সপোনটো দেখাৰ পিছত তেওঁ বেছি ভীতিগ্ৰস্ত হৈ পৰে। তাৰ ক্ৰন্দন দেখি মোৰ হৃদয় বৰ কোমল হৈ পৰে ইয়াৰ পূৰ্বে আৰ্যানুসাৰী **শ্বৰমপথ** নামৰ ব্যক্তিৰ বাবে যেনেকুৱা দোৱা কৰিছিলোঁ তেনেকুৱাই এই ব্যক্তিৰ বাবেও দোৱা কৰো। দোৱা কৰা অৱস্থাতে মোৰ ইলহাম হয় যি বাৰাহিনে আহমদীয়াৰ ২২৭ নং পৃষ্ঠাত উল্লেখিত আছে।

قُلْنَا يَا نَارُ كُوْنِىْ بَرْدًا وَّ سَلَامًا

অৰ্থাৎ মই অগ্নিক কলো, হে অগ্নি ঠাণ্ডা হৈ যোৱা। মই যদি ন্যায় বিচাৰৰ দৃষ্টিত চাওঁ তেতিয়া সকলো নবীতকৈ

বীৰ, সাহসী, জীৱিত নবী, আল্লাহ তায়লাৰ অতি প্ৰিয় নবী এজনকে দেখিবলৈ পাওঁ । তেখেত হ'ল সকলো নবীৰ চৰ্দাৰ, সকলো নবী আৰু ৰচুল সকলৰ মূৰৰ মুকুট হজৰত মহম্মদ (ছাঃ) । পূৰ্ব্বৰৰ্ত্তী যুগত হাজাৰ বছৰ তপস্যা কৰিলে যি আধ্যাত্মিক শক্তি লাভ কৰিব পৰা গ'ল হয় আজি হজৰত মহম্মদ (ছাঃ)ৰ দহ দিন অনুসৰণ কৰিলে তাতোকৈ অধিক আধ্যাত্মিক শক্তি অৰ্জন কৰা সম্ভৱ ।পূৰ্ব্বৰৰ্ত্তী বহুতো ঐশ্বৰিক পুস্তক আছে যাৰ অনুসৰণ কৰিলে আমাৰ হৃদয় কলুষিত হৈ থাকিব । এই বিলাকক কি জীৱিত নবী বুলি ক'ব পৰা যাব নে ? যিসকলৰ প্ৰভাৱত আমি (আধ্যাত্মিক ভাৱে) প্ৰাণহীন হৈ যাওঁ । এইটো অৱশ্যই চিন্তা কৰাৰ প্ৰয়োজন যে মৃত ব্যক্তিক মৃতকে কেতিয়াবা আধ্যাত্মিক জ্যোতি প্ৰদান কৰিব পাৰে নে ? ঈছাৰ উপাসনা কৰাৰ অৰ্থ হ'ল মূৰ্তি পূজা কৰা । মই সেই আল্লাহৰ শপত খাই কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে, যদি ঈছা মোৰ যুগৰ মানুহ হ'লহেঁতেন তেন্তে অত্যন্ত শ্ৰদ্ধাৰ সৈতে মোৰ পক্ষে সাক্ষী দিলেহেঁতেন । এই কথা কোনোবাই বিশ্বাস কৰক বা নকৰক এইটো সত্য আৰু সত্যতেই কল্যাণ নিহিত অৱশেষত সত্যৰ প্ৰভাৱ দুনিয়াতক প্ৰভান্বিত কৰে ।

(ৰুহানী খাজাইন খন্ড ১২, পৃঃ ৮২,)

## বাৰাকাতুত দোৱা( দোৱাৰ কল্যাণসমূহ)

এতিয়া মই মাথোন আল্লাহ তায়লাৰ সন্তুষ্টি লাভৰ উদ্দেশ্যত মোৰ ব্যক্তিগত উদ্দেশ্য উত্থাপন কৰিছোঁ, যাতে আল্লাহ তায়লা ছৈয়দ চাহাবৰ ওপৰত কৃপা বৰ্ষিত কৰে । হে প্ৰিয় ছৈয়দ চাহাব ! মই আল্লাহ তায়লাৰ শপত লৈ কওঁ, যে সূৰ্যৰ পোহৰ যেনেকৈ দেৱালত পৰি থাকে

তেনেকুৱাই খোদাৰ ওহী আকাশৰ পৰা হৃদয়ৰ গভীৰতাত অৱতৰণ কৰি থাকে। এইটো মোৰ নিত্যদিনৰ অভিজ্ঞতা, ঐশ্বৰিক কথোপকথনৰ সময় হঠাতে মোৰ ওপৰত এক ধৰণৰ স্বপ্নাচ্ছন্ন অৱস্থা আহি যোৱাৰ ফলত মই এটা পৰিৱৰ্তনশীল বস্তুৰ দৰে হৈ যাওঁ কিন্তু মোৰ বিবেক বুদ্ধি ঠিক কাম কৰি থাকে। তেতিয়া মনত হয় যে এই পৱিত্ৰ শক্তিয়ে মোৰ সকলো শক্তিক এঠাইত একত্ৰিত কৰি দিয়ে আৰু মোৰ মনোভাৱ হয় যে মোৰ শৰীৰৰ গোটেই বিলাক শিৰা উপশিৰা সেই অদৃশ্য শক্তিৰ হাততে আছে আৰু যিবিলাক মোৰ নিয়ন্ত্ৰণতে আছিল,গোটেই বিলাক তাৰ নিয়ন্ত্ৰণত গুচি গৈছে। (ৰুহানী খাজাইন খন্ড ৬, পৃঃ ২২)

অৱশেষত মই সকলো মুছলমানসকলক উপদেশ স্বৰূপে ক'ব বিচাৰো যে আজি ইছলাম শোচনীয় আৰু অত্যন্ত মৰ্মান্তিক অৱস্থাৰ মাজেদি চলি আছে। গতিকে ইছলামক পুনৰ্জীৱন দান কৰাৰ বাবে জাগ্ৰত হওঁক। মই এই মৰ্মান্তিক অৱস্থা দূৰ কৰাৰ কাৰণে আহিছোঁ, মোক আল্লাহ তায়লাই কোৰাণ শ্বৰীফৰ মূল তত্ত্বৰ জ্ঞান প্ৰদান কৰিছে। গতিকে মোৰ ওচৰলৈ আহা, যাতে এই জ্ঞানৰ পৰা তোমালকেও লাভবান হ'ব পাৰা। মই সেই আল্লাহৰ শপত লৈ কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে, আল্লাহ তায়লা মোক এই ভয়াবহ ফেৎনাৰ সময়ত প্ৰেৰণ কৰিছে। কাৰণ এই যুগৰ প্ৰথমে এজন মুজাদ্দিদ (সংস্কাৰক) অহাটো একান্ত প্ৰয়োজন আছিল। অতি সোনকালে মোৰ কামৰ দ্বাৰা মোৰ পৰিচয় পাব।

(ৰুহানী খাজাইন খন্ড ৬, পৃঃ ৩৬)

## দাফেউল বালা

মৌলৱী আহমদ হাছান আমৰোহী এনেকুৱা বিজ্ঞাপন প্ৰকাশ আৰু প্ৰচাৰৰ পিছত যি বিজ্ঞাপন তেওঁ আল্লাহৰ নামত শপত খাই লিখিব, ইয়াৰ পিছত যদি তেওঁ আমৰোহাক প্লেগ মহামাৰীৰ পৰা বচাব পাৰে আৰু কমপক্ষে সিহঁতে তিনিটা শীতকাল শান্তিত নিৰাপদে কটাব পাৰে তেন্তে মই খোদাৰ ফালৰ পৰা নহয়। অৰ্থাৎ ইয়াতকৈ ডাঙৰ সিদ্ধান্ত আৰু কি হ'ব পাৰে ? মইয়ো শপত লৈ কওঁ, মই মছীহ মাওউদ (প্ৰতিশ্ৰুত মছীহ) আৰু সেই ব্যক্তি যাৰ আগমনৰ সংবাদ নবীসকলে দি গৈছে। মোৰ সম্পৰ্কে আৰু মোৰ এই যুগ সম্পৰ্কে তৌৰাত, ইঞ্জিল আৰু কোৰাণ মজিদত খবৰ লিখা আছে। কোৱা হৈছে সেই যুগত আকাশত চন্দ্ৰ আৰু সূৰ্যৰ গ্ৰহণ লাগিব। পৃথিৱীত মহামাৰীৰ আক্ৰমণ হ'ব আৰু এইটো মোৰ বাবে নিদৰ্শন স্বৰূপ হ'ব।(ৰুহানী খজাইন খন্ড ১৮, পৃঃ ২৩৮)

## সনাতন ধৰ্ম

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে খোদাৰ বাণীক বুজি লোৱাৰ নিমিত্তে প্ৰথমে প্ৰকৃতিৰ উত্তেজনাৰ পৰা নিজকে মুক্ত কৰিব লাগিব, তেতিয়াহে অন্তৰত ঐশ্বৰিক জ্যোতিৰ অৱতৰণ ঘটিব। আভ্যন্তৰিণ জ্যোতি অবিহনে মূল সততা দৃষ্টি গোচৰ নহয়। যেনেকুৱা আল্লাহ তায়লাই কৈছে, لَا يَمَسُّهُ إِلَّا الْمُطَهَّرُونَ- অৰ্থাৎ ইয়াক পৱিত্ৰতা সকলৰ বাহিৰে কোনেও ছুব নোৱাৰে। গতিকে যেতিয়ালৈকে কোনোবাই পৱিত্ৰতা নহয় তেতিয়াকৈ তেওঁ ইয়াৰ ৰহস্য বুজি নাপাব।(ৰুহানী খাজাইন খন্ড ১৯, পৃঃ

৪৭৩-৪৭৪)

## হাশ্বীয়া আৰবাইন

পৰিতাপৰ বিষয়, পীৰ মেহেৰ আলী শ্বাহৰ লগত মোৰ এটা জ্ঞানীয় নিদৰ্শনৰ প্ৰতিযোগীতা আছিল কিন্তু অজ্ঞ মানুহে তাৰ মিছা বিজয়ৰ ডঙ্কা বজাই এই প্ৰতিযোগীতাত মোক অজ্ঞ আৰু বিবেকহীন ঘোষণা কৰি মোক গালি দিয়ে। সিহঁতে এয়াও কৈছিল যে পীৰ মেহেৰ আলী শ্বাহ কোৰাণ শ্বৰীফৰ ব্যাখ্যা লিখাৰ কাৰণে লাহোৰ আহিছিল কিন্তু মই তাৰ উচ্চ মৰ্যাদা আৰু জ্ঞান দেখি পলায়ন কৰিছোঁ। হে আল্লাহ ! মিছলীয়াৰ ওপৰত অভিশাপ বৰ্ষণ কৰা। সন্মানীয় শ্ৰোতা মণ্ডলী ! আজি ৭ ডিচেম্বৰ ১৯০০ খ্ৰীষ্টাব্দ জুমাৰ দিনত আল্লাহ তায়লা মোৰ হৃদয়ত মিছলীয়াক অসন্মানিত কৰাৰ বাবে এক কথাৰ উদ্রেক ঘটিছে। মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে, যি দোজখ মিছলীয়াসকলৰ বাবে জ্বলি আছে, যদি পীৰ মেহেৰ আলী শ্বাহৰ লিখিত মোবাহেছা (তৰ্ক-বিতৰ্ক) আৰু তাৰ লগত বয়াতৰ চৰ্ত উত্থাপন নকৰিলে হয়, তেতিয়া মই পীৰ চাহাবৰ বিৰোধীতাৰ ফালে লক্ষ্য ৰাখি সেই প্ৰতিযোগীতাত তাৰ সন্মুখীন হোৱাৰ বাবে যদি কাদিয়ানত বৰফৰ পাহাৰ আৰু অতি ডাণ্ডা থাকিলে হয় এয়া থকা সত্ত্বেও লাহোৰ উপস্থিত হৈ ঐশ্বৰিক নিদৰ্শন কাক কোৱা হয় সেইটো দেখুৱাই দিলো হয়।

(ৰুহানী খাজাইন খণ্ড ১৭, পৃঃ ৪৪৮-৪৪৯)

## (ফুটনোট) পুস্তিকা আনজামে আথম

আল্লাহ তায়লা মোৰ আন্তৰিক আৰু বাহ্যিক শাৰীৰিক আৰু আধ্যাত্মিক, মোৰ সকলো অঙ্গ প্ৰতঙ্গৰ

মাজত আল্লাহ তায়লাৰ অসংখ্য কৃপা আছে, যি গণনা কৰা মোৰ পক্ষে অসম্ভৱ। এজন খোদা ভীতি মানুহৰ বাবে যথেষ্ট আছিল যে খোদা তা'লাই মোক মিছলীয়া সকলৰ নিচিনা ধ্বংস কৰা নাই । তোমালোকৰ বাবে এই নিদৰ্শন যথেষ্ট নহয় নে ? আল্লাহ তায়লা ডেকা কালতে মোৰ ওপৰত প্ৰথম ওহী অৱতীৰ্ণ কৰিছিল,যাৰ সময় কাল ২০ বছৰ অতিবাহিত হৈ গৈছে। এতিয়া মই বৃদ্ধ হৈ গৈছো। মোৰ বহুত বন্ধু-বান্ধৱ আছে যিসকলে বয়সত মোতকৈ বহুত কম আছিল, সিহঁতেও এই পৃথিৱীৰ পৰা বিদায় লৈছে। আল্লাহ তায়লা মোৰ আয়ু বৃদ্ধি কৰিছে, আৰু প্ৰত্যেক বিপদৰ সময়ত মোৰ সাহায্য কৰিছে। অৰ্থাৎ যিসকলে আল্লাহ তায়লাৰ ওপৰত মিছা প্ৰতিপাদন কৰে তেওঁক সিহঁতৰ এই ধৰণৰ নিদৰ্শন হৈ থাকে নে ? যদি এতিয়াও মৌলৱী চাহাব সকলে মোক মিছলীয়া বুলি ভাবে তেন্তে সমাধানৰ আৰু এটা উপায় আছে, আৰু সেইটো হ'ল,মই মোৰ প্ৰকাশকৃত সকলো ইলহামক লৈ মৌলৱী চাহাবৰ লগত মোবাহেলা (প্ৰত্যাহ্বান) কৰিব খোজো।

এই ভাৱে মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মোক ঐশ্বৰিক বাৰ্তা লাভৰ সৌভাগ্য প্ৰদান কৰা হৈছে। ইছলামৰ মাজত যিসকল কু-সংস্কাৰ বিৰাজমান আছে সেইবিলাকক দূৰ কৰাৰ বাবে আৰু ক্ৰুছক ধ্বংস কৰাৰ বাবে আল্লাহ তায়লা মোক ১৪ শতাব্দীৰ আৰম্ভণীত ঈছাৰ নামত নামাকৰণ কৰি এই পৃথিৱীত প্ৰেৰণ কৰিছে। কিন্তু নে কোনো শাৰীৰিক যুদ্ধত।

(ৰুহানী খাজাইন খণ্ড ১১, পৃঃ ৫০-৫১)

আমাৰ প্ৰতিপক্ষ যিসকলে বিপদত জৰ্জৰিত, আল্লাহ তায়লাৰ অশেষ কৃপাত যিসকলে বিপদৰ পৰা ৰক্ষা

পাইছে। মই আল্লাহ তায়লাৰ শপত খাই ক'ব পাৰো যে মোবাহেলাৰ পূৰ্বৰ যি আধ্যাত্মিক আৰু পাৰ্থিৱ কৃপা আৰু ৰহমত আমাৰ ওপৰত অৱতীৰ্ণ হৈছে, তাতকৈ অধিক বৰকত মোবাহেলাৰ পিছত অৱতীৰ্ণ হ'ব ধৰে।

(ৰুহানী খাজাইন খণ্ড ১১, পৃঃ ৩১৪)

যদি এই সকলোবিলাক কথা অনুসাৰে কাৰ্য্য কৰ নহয় তেতিয়া কোনোবাই অপপ্ৰচাৰ অশ্লীল ভাষা প্ৰয়োগ নকৰিব, আল্লাহ তায়লাৰ শাস্তিক ভয় কৰি সাধাৰণ মুছলমানসকলৰ নিচিনা আমাৰ সৈতে মিলা-প্ৰীতি কৰিব,প্ৰত্যেক প্ৰকাৰৰ অনিষ্ঠাতাৰ পৰা বিৰত থাকিব বুলি মোৰ আৰু মোৰ জামাতৰ লগত ৭ বছৰৰ বাবে সন্ধি কৰা হওঁক আৰু সন্ধিৰ ৭ বছৰৰ মাজতে যদি মই মোৰ ফালৰ পৰা আল্লাহ তায়লাৰ সাহায্যৰ সহায়ত ইছলামৰ বাবে উল্লেখযোগ্য কাৰ্য্য প্ৰকাশ কৰিব নোৱাৰো,তেন্তে মছীহৰ হাতত মিছা ধৰ্মৰ বিনাশ নিশ্চয় ঘটিব, অৰ্থাৎ যদি মিছা ধৰ্মৰ ওপৰত ইছলামৰ বিজয় নহয়, মানৱ জাতি চাৰিও ফালৰ পৰা ইছলাম ধৰ্ম গ্ৰহণ নকৰে,ত্ৰিত্ববাদৰ বিনাশ নহয়, আৰু পৃথিৱীত এটা নতুন বিপ্লৱ সাধন নহয়,তেতিয়া মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মই নিজকে মিছলীয়া বুলি ভাৱিম, কিন্তু মই যে মিছলীয়া নহয়, আল্লাহ তায়লা সেয়া ভালকৈ জানে।

(ৰুহানী খাজাইন খণ্ড ১১ পৃঃ ৩১১-৩১৯)

অৰ্থাৎ **আব্দুল হক গজনবী** আৰু **আব্দুল জাববাৰ** ঔদ্ধতা বশতঃ অশ্লীল ভাষা প্ৰয়োগ কৰি গালি শপনি দি আছে। সিহঁতৰ বুজুৰ্গসকলৰ বাণীৰ সত্যায়ন কৰা উচিত। নতুবা সিহঁতে অচিয়ত ভঙ্গকাৰী বুলি গণ্য হ'ব। মৌলৱী আব্দুল্লাহ চাহাব নিজৰ জীৱনতে মোৰ নামত দুখন

চিঠি পঠাইছিল আৰু সেই গোটেই বিলাক চিঠিত কোৰাণৰ আয়াতৰ ইলহাম লিখি মোক সু-সংবাদ জনাই কৈছিল যে তুমি কাফিৰৰ ওপৰত বিজয় লাভ কৰিবা। অৰ্থাৎ মৃত্যুৰ পিছত মোৰ ওপৰত প্ৰকাশ কৰা হয় যে তেখেতে মোৰ দাবীৰ ওপৰত সাক্ষী দি গৈছে। মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মৌলৱী আব্দুল্লাহ চাহাব মোৰ দাবীক শুনাৰ পিছত মোৰ পক্ষে সাক্ষী স্বৰূপ এয়া কৈছে, মোৰ বিশ্বাস আছিল যে এনেকুৰা ব্যক্তি আল্লাহ তায়লাৰ ফালৰ পৰা আহিব। তাৰ শব্দটি এইৰূপ ولعنة الله على الكاذبين۔ অৰ্থাৎ মিছলীয়াসকলৰ ওপৰত আল্লাহৰ অভিসম্পাত।

(ৰুহানী খাজাইন খণ্ড ১১, পৃঃ ৩৪৩)

## পুস্তিকা আছমানী ফয়চালা

স্পষ্ট হয় যে, মিঞা নাজিৰ হুছেনে মুত্তাকী সকলৰ পথ সম্পূৰ্ণ ৰূপে ত্যাগ কৰিছে। মই দিল্লীত **তিনিটা বিজ্ঞাপন** জাৰি কৰিছোঁ যাৰ মাজত বাৰে বাৰে এই কথা উল্লেখ আছে যে মই এজন মুছলমান আৰু ইছলামৰ বিশ্বাসত পূৰ্ণ বিশ্বাসী। মই আল্লাহ তায়লাৰ শপত খাই সংবাদ পঠাইছোঁ যে মোৰ কোনো বক্তব্যত বা পুস্তিকাত ইছলামৰ নিয়মৰ পৰিপন্থী কোনো ধাৰণা উত্থাপন কৰা নাই। মই ইছলামী নিয়ম-নীতিৰ ওপৰত হৃদয়েৰে গভীৰ ভাৱে পূৰ্ণ বিশ্বাস ৰাখো আৰু ইছলামী নিয়মৰ বিপৰীত নিয়ম-নীতিৰ ওপৰত বিশ্বাস নকৰোঁ। কেৱল প্ৰতিপক্ষৰ ভ্ৰান্ত ধাৰণাৰ কাৰণে সিহঁতে মোৰ ওপৰত বিভিন্ন দোষাৰোপ কৰি থাকে।

(ৰুহানী খাজাইন খণ্ড ৪, পৃঃ ৩১২)

হজৰত মিৰ্জা গোলাম আহমদ চাহাবে এই

আধ্যাত্মিক প্ৰতিযোগীতাৰ বাবে প্ৰত্যেক ছুফি, পীৰ, আৰু আলিম সমাজক আহ্বান কৰি কয়,

মই আল্লাহ তায়লাৰ শপত খাই স্বীকাৰ কৰিছোঁ যে যদি মই এই প্ৰতিযোগীতাত পৰাস্ত হওঁ তেন্তে মই প্ৰচাৰ পত্ৰৰ মাধ্যমত ভুল পথত আছো বুলি প্ৰকাশ কৰিম.... আৰু এই জলছাত স্বীকাৰ কৰিম যে মই আল্লাহ তায়লাৰ প্ৰেৰিত পুৰুষ নহয়, মোৰ সকলো দাবী মিছা বুলি গণ্য হওঁক। মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে আল্লাহ তায়লাৰ ওপৰত মোৰ পূৰ্ণ বিশ্বাস আছে। মই জানো আল্লাহ তায়লা কেতিয়াও মোক ব্যৰ্থ নকৰিব।

(ৰুহানী খাজাইন খণ্ড ৪, পৃঃ ৩৩০)

## হামামাতুল বুশ্বৰা

"وإن إمامى سيد الرسل أحمدُ

নিঃসন্দেহ আমাৰ পথ প্ৰদৰ্শনকাৰী সকলো ৰচুলসকলৰ ছৰ্দাৰ আহমদ হয়।

رضيناه متبوعا وربّى ينظُرُ

মই তাৰ অনুসৰণত স ন্তুষ্ট, আৰু মোৰ খোদা লক্ষ্য কৰিছে।

وواللهِ إنى قد تبِعتُ محمّدًا

মই আল্লাহ তায়লাৰ শপত খাই কওঁ মই মহম্মদ (ছাঃ)ৰ অনুসাৰী।

وفى كل آن مِن سناه أُنوَّرُ

আৰু সৰ্বদা তাৰ জ্যোতিৰ পৰা জ্যোতি আহৰণ কৰো।(ৰুহানী খাজাইন খণ্ড ৭, পৃঃ৩৩১-৩৩২)

## ছুৰমা চশ্বমায়ে আৰিয়া

মই সত্য কওঁ, অযথা সময় নষ্ট কৰিব নোখোজো, কোৰাণ শ্বৰীফৰ প্ৰাথমিক ১০ পৃষ্ঠাৰ পৰা একত্ববাদ যি দৰে প্ৰকাশ পায়,যদি কোনো ব্যক্তি বেদৰ হাজাৰ পৃষ্ঠাৰ পৰা একত্ববাদৰ প্ৰমাণ দিব পাৰে তেতিয়া মই বিশ্বাস কৰিম, বেদত একত্ববাদ আছে ।সিহঁতে আমাৰ সামৰ্থ অনুযায়ী চৰ্ত ৰাখি সেইটো পূৰ্ণ কৰাৰ কাৰণে যি ধৰণে সিদ্ধান্ত কৰিব খোজে, কৰিব পাৰে । কিন্তু মই এক আৰু অদ্বিতীয় খোদাৰ শপত খাই কওঁ, বিশেষকৈ কম বয়সীয়াল আৰ্য্যসকলৰ মনত ৰখা উচিত যে বেদত কোনো একত্ববাদৰ শিক্ষা নাই বৰং প্ৰত্যেক ঠাইত মূৰ্তি পূজাৰ যি শিক্ষাৰ সংমিশ্ৰণ আছে সেই বিষয়ে কোনো ব্যক্তি অস্বীকাৰ কৰিব নোৱাৰে; বেদৰ ওপৰৰ পৰা পৰ্দা নিশ্চয় মুকলি হৈ যাব । অৰ্থাৎ তোমালোকে আল্লাহ তায়লাৰ ভয় কৰা যাৰ সন্মুখত কোনো একোৰেই গোপন নহয় ।

( ৰুহানী খাজাইন ২য় খণ্ড, পৃঃ ২১৬)

গোটেইবিলাক প্ৰশংসাৰ পিছত মই আল্লাহ তায়লাৰ ভক্ত আহমদ, পিতা মৃত মিৰ্জা গোলাম মৰ্তজা (বাৰাহীনে আহমদীয়াৰ লিখক) উচ্চ মৰ্যাদা সম্পন্ন আৰু অতি পৱিত্ৰ আল্লাহ তায়লাৰ শপত খাই কওঁ মই মোৰ জীৱনৰ অধিকাংশ সময় ধৰ্মীয় গৱেষণায় ব্যয় কৰি প্ৰমাণ পাইছো যে পৃথিৱীত অকল মাথোন ইছলাম ধৰ্মই সত্য আৰু আমাৰ ছৰ্দাৰ হজৰত মহম্মদ (ছাঃ) আল্লাহ তায়লাৰ মনোনীত ৰছুল উচ্চ মৰ্যাদা সম্পন্ন ৰছুল আৰু পৱিত্ৰ কোৰাণ শ্বৰীফ নিদৰ্শন আৰু সততাৰে পৰিপূৰ্ণ । তাৰ বৰ্ণনা অনুযায়ী আল্লাহ তায়লা নিৰাকাৰ, পূৰ্ণ কুদৰতৰ অধিকাৰী,সকলো

গুণাৱলীৰে পৰিপূৰ্ণ,সকলো স্ৰষ্টাৰ সৃষ্টিকৰ্তা, সকলো আত্মা আৰু আৰু শৰীৰ সেইজনাৰেই সৃষ্টি; সত্যানুগত্যৰ ফল প্ৰদানকাৰী, ঈমানদাৰসকলৰ মুক্তি প্ৰদানকাৰী,পৰম কৰুণাময় দানশীল, তৌবা গ্ৰহণকাৰী, ইয়াৰ বাহিৰেও কোৰাণ শ্বৰীফত অন্যান্য ঐশ্বৰিক শিক্ষা আৰু গুণাৱলী আছে, এই সকলোবোৰ সত্য আৰু সঠিক । মই কোৰাণ শ্বৰীফৰ সকলোবিলাক শিক্ষাক মন প্ৰাণেদি সত্য বুলি জানো আৰু সেয়া বিশ্বাস কৰো ।( ৰুহানী খাজাইন ২য় খণ্ড, পৃঃ ৩০২-৩০৩)

## চশ্বমায়ে মছিহ

যাৰ হাতত মোৰ প্ৰাণ সুৰক্ষিত মই সেই অস্তিত্বৰ শপত লৈ কওঁ মই মোৰ পৱিত্ৰ খোদাৰ নিঃসন্দেহ আৰু সুনিশ্চিত বাক্যালাপৰ দ্বাৰা সন্মানিত হৈছো আৰু দৈনিক হৈয়ে আছো । যীশু যিয়ে ঈশ্বৰক কৈছে, তুমি মোক কিয় পৰিত্যাগ কৰিছা । মই চালো যে সেই খোদাই কেতিয়াও মোক পৰিত্যাগ কৰা নাই ।

( ৰুহানী খাজাইন খণ্ড ২০, পৃঃ ২৫৩)

## নাছিমে দাওৱাত

হে পাঠকসকল ! **আৰশ্ব** সম্পৰ্কে মুছলমান সকলৰ এনেকুৱা বিশ্বাস নাই যে, **আৰশ্ব** কোনো এটা বস্তুৰ নাম বা কোনো স্ৰষ্টা, যাৰ ওপৰত আল্লাহ বহি আছে । গোটেই কোৰাণ শ্বৰীফ অধ্যয়ন কৰিলে **আৰশ্ব** কোনো সীমিত বস্তু বা স্ৰষ্টা বুলি উল্লেখ পোৱা নাযায় । আল্লাহ তায়লা বাৰম্বাৰ কৈছে যে প্ৰত্যেক বস্তুৰ সৃষ্টিকৰ্তা মইয়ে । মোৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু প্ৰত্যেক বস্তু মোৰ ক্ষমতাৰ অধীনত আছে । কিন্তু **আৰশ্ব** এটা বস্তু বুলি কতো উল্লেখ

পোৱা নাযায়। মই আল্লাহৰ শপত খাই কওঁ যাৰ নাম লৈ মিছা শপত খোৱা অভিশপ্তসকলৰ কাম; যদি কোনো আৰ্যই কোৰাণ শ্বৰীফৰ পৰা **আৰশ্ব** এটি বস্তু বুলি প্ৰমাণ কৰি দিব পাৰে তেনেহলে মই তেওঁক এহেজাৰ টকা তৎক্ষণাত পুৰস্কাৰ দিম। মই আকৌ নম্ৰতাৰ সৈতে কওঁ যে যিয়ে আল্লাহ তায়লাৰ ওপৰত মিছা ৰটনা কৰে এনেকুৰা ব্যক্তি স্বকীয় আল্লাহৰ অভিসম্পাদত আহিব।

(ৰুহানী খাজাইন খণ্ড ১৯ ,পৃঃ ৪৫৩-৪৫৪)

## নুজুলে মছীহ

যিহেতু প্ৰত্যেক বস্তুৰ মালিক আল্লাহ, এয়া তাৰ ক্ষমতাৰ অধীন, সি যদি ইচ্ছা কৰে তেতিয়া কোনো ধৰ্ম গ্ৰন্থৰ উত্তম আয়াত মোৰ ওপৰত ঐশ্বৰিক বাণীৰ মাধ্যমত অৱতীৰ্ণ কৰিব পাৰে। এয়া আৰবী ভাষা সম্পৰ্কে বৰ্ণনা। কিন্তু কেতিয়াবা কেতিয়াবা মোৰ ওপৰত এনেকুৰা ভাষাত ইলহাম হৈ থাকে, যি ভাষা মই একেবাৰেই নাজানো। যেনেকুৰা ইংৰাজী, সংস্কৃত আৰু ইবৰাণী ভাষা। বাৰাহীনে আহমদীয়াত ইয়াৰ কিছু উদাহৰণ লিখা আছে। মই আল্লাহ তায়লাৰ শপত খাই কওঁ যাৰ হাতত মোৰ প্ৰাণ আছে, আল্লাহ তায়লা মোৰ ওপৰত এই দৰে নিদৰ্শন প্ৰকাশ কৰি আছে আৰু সকলো নিদৰ্শনৰ মাজত বিভিন্ন ভাষাত ইলহাম হোৱাটোও এটা ডাঙৰ নিদৰ্শন হয়।

( ৰুহানী খাজাইন খণ্ড ১৮, পৃঃ ৪৩৫)

মই ইয়াৰ পূৰ্বেও বিশেষ ব্যাখ্যা স্বৰূপ আল্লাহ তায়লাৰ শপত খাই কওঁ, যাৰ হাতত মোৰ প্ৰাণ আছে, মই বিভিন্ন পুস্তকত উল্লেখ কৰিছোঁ আৰু এতিয়াও কওঁ যে হজৰত মহম্মদ (ছাঃ)য়ে মছীহ মাওউদ সম্পৰ্কে বুখাৰী

শ্বৰীফ, মুছলিম শ্বৰীফ আৰু অন্যান্য ছহী হাদীছৰ কিতাপত যি বৰ্ণনা কৰিছে,মইয়ে সেই প্ৰেৰিত মছীহ মাওউদ। وَ كَفٰى بِاللّٰهِ شَهِيْدًا (সাক্ষীৰ বাবে আল্লাহ তায়লা যথেষ্ট)-

(লিখক মিৰ্জা গোলাম আহমদ, ১৭ ই আগষ্ট চন ১৮৯৯)
( আকায়েদ ও তালিমাত, পৃঃ ১৩৭ মতবুৰা নজাৰত দাওৰাত ও তবলিগ কাদিয়ান আক্টবৰ চন ১৯৫৫)

মোৰ সেই খোদাৰ শপত যিজনে মোক প্ৰেৰণ কৰিছে আৰু যাৰ প্ৰতি মিছা আৰোপ কৰা মহাপাপীৰ কাম;মই আল্লাহৰ শপত খাই কওঁ তেওঁৰে মোক মছীহ মাওউদ ৰূপে প্ৰেৰণ কৰিছে। মই যেনেকুৰা কোৰাণ শ্বৰীফৰ আয়াতৰ প্ৰতি পূৰ্ণ ঈমান ৰাখো তেনেকুৰাই বিন্দু মাত্ৰ পাৰ্থক্য নকৰি মোৰ প্ৰতি অৱতীৰ্ণ আল্লাহ তায়লাৰ প্ৰত্যেকটো পৱিত্ৰ ওহীৰ ওপৰত ঈমান ৰাখো। এইবিলাকৰ সত্যতা অবিৰাম নিদৰ্শনৰ দ্বাৰা মোৰ ওচৰত সুপ্ৰকাশিত হৈছে। মই কাবা গৃহত থিয় হৈ শপত খাই ক'ব পাৰো যে, যিবিলাক পৱিত্ৰ ওহী মোলৈ অৱতীৰ্ণ হয়, সেইবিলাক সেই আল্লাহৰ বাণী যিয়ে হজৰত মুছা (আঃ), হজৰত ঈছা(আঃ) আৰু হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি বাণী প্ৰেৰণ কৰিছিল।

(ৰুহানী খাজাইন খণ্ড ১৮, পৃঃ ২১০)

## কিৰামাতুছ ছাদিকিন

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মই কাফিৰ Rb Z لَا اِلٰهَ اِلَّا اللّٰهُ مُحَمَّدٌ رَسُوْلُ اللّٰهِ ওপৰত মই পূৰ্ণ বিশ্বাস ৰাখো। وَلٰكِنْ رَسُوْلَ اللّٰهِ وَخَاتَمَ النَّبِيّٖنَ ৰ ওপৰত মই ঈমান

ৰাখো । আল্লাহ তায়লাৰ যিমান পৱিত্ৰ নাম আছে, কোৰাণ শ্বৰীফৰ যিমান আখৰ আছে আৰু আল্লাহ তায়লাৰ ওচৰত হজৰত মহম্মদ (ছাঃ)ৰ যিমান কামালাত আছে মই উপৰোক্ত বৰ্ণনাৰ ওপৰত সিমান কেইবাৰ শপত খাই ক'ব পাৰিম । মোৰ কোনো বিশ্বাস আল্লাহ আৰু ৰছুলৰ বৰ্ণনাৰ পৰিপন্থী নহয় । যি ব্যক্তি মোৰ সম্পৰ্কে এইৰূপ ধাৰণা পোষণ কৰি থাকে সি ভুল পথত আছে, আৰু যি ব্যক্তি এতিয়াও মোক কাফিৰ বুলি মনে কৰে সি মিছাৰ পথ অৱলম্বন কৰিছে । মনত ৰাখিবা মৃত্যুৰ পিছত তেওঁক সুধা হ'ব । মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মই আল্লাহ তায়লা আৰু তাৰ ৰছুলৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখো । যদি এই যুগৰ সকলো মানুহৰ ঈমানক তৰ্জুৰ এফালে তুলি দিয়া হয় আৰু মোৰ ঈমান তৰ্জুৰ আনফালে তুলি দিয়া তেতিয়া মোৰ ঈমানৰ তৰ্জু বেছি ওজন হ'ব ।

( ৰুহানী খাজাইন খণ্ড ৭, পৃঃ ৬৭)

## তৰিয়াকুল কুলুব

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যিয়ে মোক প্ৰেৰণ কৰিছে, যদি কোনো কঠোৰ হৃদয় খ্ৰীষ্টান, হিন্দু অথবা আৰ্য্য, মোৰ সুস্পষ্ট নিদৰ্শন সমূহক অস্বীকাৰ কৰি থাকে আৰু সি মুছলমান হোৱাৰ বাবে কোনো নিদৰ্শন দেখিব বিচাৰে, তেন্তে তেওঁ অযথা কথা নকৈ কোনো সংবাদ পত্ৰত এই বুলি প্ৰকাশ কৰক যে সি এনেকুৱা নিদৰ্শন যি মানুহৰ শক্তিৰ বাহিৰত হ'ব, সেইটোক দেখি তেওঁ মুছলমান হ'ব । মই পূৰ্ণ বিশ্বাসৰ সৈতে কওঁ যে সংবাদ পত্ৰত তাৰ স্বীকাৰোক্তিৰ দিনৰ পৰা এবছৰ অতিক্ৰম নহওঁতেই নিদৰ্শন দেখিব পাৰিব । কাৰণ মই তাৰ জ্যোতিত জ্যোতিৰ্ময়, যাৰ জ্যোতিত হজৰত মহম্মদ

(ছাঃ)জ্যোতির্ময় হৈছিল। (ৰুহানী খাজাইন খণ্ড ১৫, পৃঃ ১৪০)

## তোহফা গোলৰবিয়া পৃঃ ৫৪

মই আল্লাহ তায়লাৰ শপত খাই কওঁ, যাৰ হাতত মোৰ প্ৰাণ আছে, সি মোৰ সত্যতা প্ৰকাশ কৰাৰ বাবে আকাশৰ পৰা নিদৰ্শন সেই সময়ত প্ৰকাশ কৰিছে যেতিয়া মৌলৱী সকলে মোক দাজ্জাল, মিছলীয়া আৰু কাফিৰ বুলি আখ্যায়িত কৰিছিল, আৰু আল্লাহ তায়লা এই নিদৰ্শন সম্পৰ্কে ২০ বছৰ পূৰ্বতে বাৰাহীনে আহমদীয়াত ভৱিষ্যাতবাণী ৰূপে অঙ্গীকাৰ কৰিছিল, আৰু সেয়া নিম্নত,

قُلْ عِنْدِیْ شَهَادَةٌ مِنَ اللّٰهِ فَهَلْ اَنْتُمْ مُؤْمِنُوْن.

قُلْ عِنْدِیْ شَهَادَةٌ مِنَ اللّٰهِ فَهَلْ اَنْتُمْ مُسْلِمُوْن.

অৰ্থাৎ সিহঁতক কৈ দিয়া যে মোৰ ওচৰত আল্লাহ তায়লাৰ এটা সাক্ষী আছে তোমালোকে সেই টোক মান্য কৰিবা নে নাই ? তাৰ পিছতো তুমি কৈ দিয়া যে, মোৰ ওচৰত আল্লাহ তায়লাৰ এটা সাক্ষী আছে তোমালোকে সেই টোক স্বীকাৰ কৰিবা নে নাই ? যদিও মোৰ সত্যতাৰ সাক্ষী ৰূপে আল্লাহ তায়লাৰ তৰফৰ পৰা অনেক নিদৰ্শন প্ৰকাশ পাইছে। এশ ভৱিষ্যতবাণী পূৰ্ণ হোৱাৰ লৈ কিমান লাখ মানুহ সাক্ষী আছে। কিন্তু এই ইলহামত সেই ভৱিষ্যতবাণীৰ উল্লেখ নিৰ্দিষ্ট উদ্দেশ্যৰ কাৰণে কৰা হৈছে। অৰ্থাৎ আদম (আঃ)ৰ সময়ৰ পৰা আজিলৈকে এই ধৰণৰ নিদৰ্শন কোনোবাক দিয়া হোৱা নাই। মই **কাবা শ্বৰীফত** থিয় হৈ শপত খাই ক'ব পাৰো যে এই সকলো বিলাক নিদৰ্শন কেৱল মাত্ৰ মোৰ সততা প্ৰকাশৰ কাৰণে

অৱতীর্ণ কৰা হৈছে। নে কোনো এনেকুৱা ব্যক্তিৰ বাবে নহয় যাৰ বিৰোধীতা হোৱা নাই; যাৰ অস্বীকাৰ কৰা হোৱা নাই; যাৰ ওপৰত মিছলীয়া, কাফিৰ, ফাছিক বুলি ফতোৱা দিয়া হোৱা নাই। এনেকুৱাই মই কাবা শ্বৰীফত থিয় হৈ শপত খাই ক ক'ব পাৰো যে উপৰোক্ত নির্দশনৰ দ্বাৰা শতাব্দীৰ নিৰ্দিষ্টকৰণ কৰা হৈছে।

(ৰুহানী খাজাইন খণ্ড ১৭, পৃঃ ১৪৩)

## কিতাবুল বাৰিয়া

محمد است امام و چراغ ہر دو جہاں
محمد است فروزندہَ زمین و زماں
خدا نہ گویمش از ترسِ حق مگر بخدا
خدا نماست وجودش برائے عالمیاں

অনুবাদ ঃ- হজৰত মহম্মদ (ছাঃ) দুই জগতৰ ইমাম আৰু জ্যোতি হয়। আকাশ আৰু পৃথিৱী তাৰ আলোকত আলোকিত হৈছে। আল্লাহ তায়লাৰ ভয়ৰ কাৰণে মই তেখেতক খোদা বুলি নকওঁ। কিন্তু আল্লাহ তায়লাৰ শপত খাই কওঁ যে হজৰত মহম্মদ (ছাঃ) আল্লাহ তায়লাৰ গুণে গুণান্বিত এজন মহাপুৰুষ।

(ৰুহানী খাজাইন খণ্ড ১৩, পৃঃ ১৫৭)

## আল হাকাম, ৩১ মে ১৯০২ খ্ৰীষ্টাব্দ

মই আল্লাহ তায়লাৰ শপত খাই কওঁ যে মোৰ সত্য উদ্দীপনা এটাই, মই সকলো সৌন্দর্যময় গুণাৱলীসহ হজৰত মহম্মদ (ছাঃ)ৰ ফালে প্ৰত্যাবৰ্তন কৰাৰ কাৰণে

মন প্ৰাণ দি প্ৰচেষ্টা চলাই আছো। আল্লাহ তায়লাৰ একত্ববাদ আৰু হজৰত মহম্মদ (ছাঃ)ৰ মৰ্যাদা প্ৰতিষ্ঠিত হওঁক এয়াই মোৰ যাৱতীয় আনন্দৰ উৎস আৰু মোৰ আগমনৰ উদ্দেশ্য খোদা তালাৰ একত্ববাদ আৰু ৰছুলে কৰিম (ছাঃ)ৰ সন্মান পৃথিৱীৰ বুকুত স্থাপিত কৰো; আৰু সকলোবোৰ গুণাৱলী আঁ-হজৰত (ছাঃ)ৰ ফালে ৰুজু কৰো। মোৰ সন্দৰ্ভত আল্লাহ তায়লাই যিমানে প্ৰসংশামূলক বাক্যৱলী বয়ান কৰিছে সেইবোৰ আঁ-হজৰত (ছাঃ)ৰ ফালে ৰুজু কৰো; সেয়ে মই তেখেত (ছাঃ) ৰ এজন দাস মাত্ৰ। মই তেখেত (ছাঃ) ৰ নবুয়তৰ আলোকত আলোকিত। স্বাধীন ভাৱে মোৰ কোনো অস্তিত্ব নাই,আৰু মই বিশ্বাস কৰো যে হজৰত মহম্মদ (ছাঃ)ৰ কল্যাণ লাভৰ বাহিৰে স্বতন্ত্ৰ ৰূপে কোনোবা নবুয়ত প্ৰাপ্ত কৰিব নোৱাৰে। যদি কোনোবায় এনেকুৱা দাবী কৰে তেন্তে তেওঁ এজন মিছলীয়া বুলি গণ্য হ'ব। এতিয়া আল্লাহ তায়লাৰ ফালৰ পৰা চিৰস্থায়ী বিধান অনুযায়ী নিৰ্দিষ্ট মোহৰ লাগি গৈছে যে হজৰত মহম্মদ (ছাঃ)ৰ অনুসৰণৰ বাহিৰে আধ্যাত্মিক পদমৰ্যাদা পোৱা অসম্ভৱ।

(আলহাকাম, ৩১ মে ১৯০২ খ্ৰীষ্টাব্দ

## আহমদীয়া শিক্ষাগত পকেট বুক

## (প্ৰথম খণ্ড)

কাজী মহম্মদ নজিৰ চাহাব ফাজিল

আল্লাহ তায়লাই কোৰাণত ইহুদীসকলক উদ্দেশ্য কৰি কৈছে যে,

قُلْ يَا أَيُّهَا الَّذِينَ هَادُوا إِنْ زَعَمْتُمْ أَنَّكُمْ أَوْلِيَاءُ لِلَّهِ مِنْ دُونِ

(62:7) النَّاسِ فَتَمَنَّوُا الْمَوْتَ إِنْ كُنتُمْ صَادِقِينَ

হে ৰছুল ! তুমি কোৱা, হে মানৱ জাতি তোমালোকৰ মাজত যিসকলে ইহুদী ধৰ্ম অৱলম্বন কৰিছে যদি তোমালোকে আল্লাহ তায়লাৰ প্ৰিয় পাত্ৰ আৰু সত্যবাদী হোৱা তেন্তে তোমালোকে মৃত্যুৰ আশা কৰা ।(ছুৰা জুমা আয়াত ৭)

এই আয়াতৰ পৰা স্পষ্ট যে মৃত্যুৰ আকাঙ্খা পোষণকাৰী যদি মৃত্যুৰ আশা কৰাৰ পিছত অতি সোনকালে মৃত্যু বৰণৰ পৰা ৰক্ষা পায় তেতিয়া এইটো সত্যতা প্ৰকাশৰ এটা দলিল হ'ব আৰু কোনোবা যদি ভুল বশতঃ নিজকে আল্লাহ তায়লাৰ প্ৰিয় বুলি ভাৰি মৃত্যুৰ আশা লৈ বহি থাকে তেতিয়া তাৰ মৃত্যু নিদৰ্শন হৈ যায় । যেনেকুৱা আবু জেহেল বদৰৰ যুদ্ধত এই দোৱা কৰিছিল যে, আমাৰ মাজত যিয়ে মিছলীয়া হ'ব তেওঁক এই ঠাইতে মৃত্যু দি দিয়ক । অৰ্থাৎ সি বদৰৰ যুদ্ধত মৃত্যু হৈ ইছলামৰ সততাৰ পক্ষে এক জলন্ত নিৰ্দশনত পৰিণত হয় ।

যিসকলে হজৰত মছীহ মাওউদ (আঃ) ক মিছলীয়া আৰু নিজকে সত্যবাদী বুলি জ্ঞান কৰে সিহঁতে প্ৰতি - দ্বন্দ্বিতাত আহি নিজৰে মৃত্যুৰ দোৱা কৰিছে, সিহঁত সকলোৱে ধ্বংস হৈ গৈছে । হজৰত মছীহ মাওউদ (আঃ) য়ে আল্লাহ তায়লাৰ তৰফৰ পৰা আহিছে সেইটো জনসাধাৰণক বুজাবৰ কাৰণে এই দোৱা কৰে ।

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ

نحمده و نصلی علی رسولہ الکریم

رَبَّنَا افْتَحْ بَيْنَنَا وَ بَيْنَ قَوْمِنَا بِالْحَقِّ وَأَنْتَ خَيْرُ الْفَاتِحِينَ

اے قدیر و خالق ارض وسما　　اے رحیم و مہربان و رہنما
اے کہ میداری تو بر دلہانظر　　اے کہ از تو نیست چیزے مستتر
گر توے بینی مرا پُر فسق و شر　　گر تو دید استی کہ ہستم بدگہر
پارہ پارہ کن منِ بدکار را　　شاد کن، ایں زمرۂ اغیار را
بر دل شاں ابرِ رحمت ہاببار　　ہر مرادِ شاں بفضلِ خود برآر
آتش افشاں بر درو دیوارِ من　　دشمنم باش و تبہ کن کارِ من
در مرا از بندگانت یافتی　　قبلۂ من آستانت یافتی
در دل مَن آں محبت دیدۂ　　کز جہاں آں راز را پوشیدۂ
بامن از روئے محبت کارکن　　اند کے افشاء آں اسرار کن

(روحانی خزائن جلد 14 صفحہ 434)

**অনুবাদঃ-** হে সৰ্ব শক্তিমান আকাশ আৰু পৃথিৱীৰ সৃষ্টিকাৰী, হে কৃপাকাৰী, দয়ালু আৰু পথ প্ৰদৰ্শক । তুমি অন্তৰ্যামী, তোমাৰ ওচৰত কোনো বস্তু লুকাই থাকিব নোৱাৰে, তুমি মোক তোমাৰ আদেশত অমান্যকাৰী ৰূপে পাই থাকা, আৰু মোৰ বংশ যদি বেয়া হৈ থাকে,তেন্তে মোৰ নিচিনা পাপীক ছিন্ন ভিন্ন কৰি দিয়া আৰু মোৰ প্ৰতিপক্ষক আনন্দ প্ৰদান কৰা, সিহঁতৰ অন্তৰত ৰহমত অৱতীৰ্ণ কৰা । তোমাৰ অশেষ কৃপাৰ দ্বাৰা সিহঁতৰ প্ৰত্যেক আশাক পূৰ্ণ কৰা মোৰ ঘৰত অগ্নিকুণ্ড বৰ্ষণ কৰা, মোৰ লগত শত্ৰুৰ দৰে ব্যৱহাৰ কৰা, আৰু কামবিলাক নষ্ট কৰি দিয়া, আৰু যদি মই তোমাৰ অনুসৰণকাৰী হৈ থাকো আৰু যদি মোৰ অন্তৰত সেই ভালপোৱা থাকি থাকে যাৰ

ৰহস্যৰ পৰা পৃথিৱীবাসী অজ্ঞ, তেতিয়া মোৰ সৈতে প্ৰেমাস্পদ ব্যৱহাৰ কৰা আৰু গোপন ৰহস্যৰ পৰা কিছু ৰহস্য মানুহৰ সন্মুখত প্ৰকাশ কৰা।

এই দোৱাৰ পিছত হজৰত মির্জা চাহাবৰ হাতত বহুত নিদৰ্শন প্ৰকাশ পাইছে। আল্লাহ তায়লা মির্জা চাহাবক পৃথিৱীত উচ্চ মৰ্যাদা প্ৰদান কৰিছে আৰু তেখেতক ধ্বংস কৰাৰ পৰিৱৰ্তে সকলো ফালৰ পৰা তেখেতক বিজয় দান কৰিছে এইটো চিন্তাশীল ব্যক্তিৰ কাৰণে এক ডাঙৰ নিদৰ্শন।

( আহমদীয়া পকেট বুক, ১ ম খণ্ডৰ পৰা সংকলিত পৃঃ ১১০ ৰ পৰা ১১২লৈকে, সংকলক: কাজী মহম্মদ নজীৰ চাহাব ফাজিল প্ৰকাশিত ৰাবোৱা জুন চন ২০১২) )

# মহত্বপূৰ্ণ ভৱিষ্যতবাণী ইছলামৰ উজ্জ্বল ভৱিষ্যত

## শেষ আৰু মহা বিজয়ৰ দিন

হজৰত মির্জা গোলাম আহমদ চাহাবে কৈছে যে,

খোদা তায়লা মোক বাৰে বাৰে জনাইছে যে তেওঁ মোক বহু সন্মানৰ সৈতে শ্ৰেষ্ঠত্ব প্ৰদান কৰিব আৰু মানুহৰ হৃদয় মোৰ প্ৰতি ভালপোৱাৰ সৃষ্টি কৰি দিব। সেইজনাই মোৰ জামাতক গোটেই জগতত বিস্তৃত কৰিব আৰু সিহঁতক সকলো জাতিৰ ওপৰত জয়যুক্ত কৰিব। মোৰ জামাতৰ লোকসকলে এনেকুৱা অসাধাৰণ জ্ঞান তত্ত্ব লাভ কৰিব যে সিহঁতে সত্যৰ জ্যোতিত আৰু যুক্তিপূৰ্ণ প্ৰমাণ আৰু নিদৰ্শনাৱলীৰ প্ৰভাৱত সকলোৰে মুখ বন্ধ কৰি দিব।সকলো জাতি এই নিজৰাৰ পৰা তৃষ্ণা নিবাৰণ কৰিব

আৰু এই ছিলছিলা দ্ৰুত গতিত উন্নতি লাভ কৰিব আৰু বৃদ্ধি পাব, অৰ্থাৎ গোটেই পৃথিৱীত বিস্তাৰ লাভ কৰিব। বহু বাধা দেখা দিব আৰু পৰীক্ষাৰ সন্মুখীন হ'ব লাগিব, কিন্তু খোদা তায়লা সেই বিলাক আঁতৰ কৰিব আৰু নিজৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰিব। খোদা তায়লা মোক উদ্দেশ্য কৰি কৈছে, **তোমাৰ ওপৰত বৰকতৰ পিছত বৰকত প্ৰদান কৰি থাকিম, এনেকুৱা হ'ব যে বাদশ্বাহ তোমাৰ কাপোৰৰ পৰা বৰকত বিচাৰিব**।

হে শ্ৰোতা বৃন্দ সকল! এই কথাবিলাক স্মৰণ ৰখা আৰু এই ভৱিষ্যতবাণী বিলাকক নিজৰ নিজৰ বাকচৰ ভিতৰত সুৰক্ষিত ৰাখা। এয়া খোদাৰ বাণী। এদিন এইটো পূৰ্ণ হ'বই। (ৰুহানী খাজাইন খণ্ড ২০, পৃ ঃ ৪০৯)

আকৌ কৈছে,

হে মানৱ মণ্ডলী! শুনি ৰাখক, এইটো সেই জনাৰ ভৱিষ্যতবাণী যিয়ে পৃথিৱী আৰু আকাশ সৃষ্টি কৰিছে, সি নিজৰ এই জামাতক সকলো দেশতেই বিস্তৃত কৰি দিব আৰু হুজ্জত (যুক্তি সঙ্গত দলিল) আৰু সঁচা-মিছাৰ মাজত পাৰ্থক্যকাৰী দলিলৰ দ্বাৰা সকলোৰে ওপৰত বিজয় দান কৰিব। সেই দিন অতি কাষতেই যেতিয়া পৃথিৱীত কেৱল মাথোন এই ধৰ্মই হ'ব যাক সন্মানৰ দৃষ্টিত দেখা হ'ব। খোদা এই ধৰ্মক আৰু এই জামাতক উচ্চ মৰ্যাদা আৰু অসাধাৰণ বৰকত দান কৰিব আৰু যিয়ে এই জামাতক শেষ কৰি দিয়াৰ পৰিকল্পনা কৰিব তেওঁক ব্যৰ্থ কৰি দিয়া হ'ব। এই বিজয় চিৰকাল প্ৰতিষ্ঠিত থাকিব। এনেকি কিয়ামত লৈ প্ৰতিষ্ঠিত থাকিব।... ইয়াৰ পিছত আজিৰ পৰা তৃতীয় শতাব্দী পূৰ্ণ নহওঁতেই যেতিয়া হজৰত ঈছা (আঃ) ৰ অপেক্ষাকাৰীসকল, মুছলমানেই হওঁক, খ্ৰীষ্টানেই

হওঁক, সকলোৰে অত্যন্ত হতাশ আৰু বিৰক্ত হৈ মিছা বিশ্বাসক পৰিত্যাগ কৰিব তেতিয়া পৃথিৱীত এখনেই ধৰ্ম হ'ব আৰু এটাই পেশ্বৰা (ধৰ্ম) । মই কেৱল এখন বীজ বপন কৰিবলৈ আহিছো, অৰ্থাৎ মোৰ হাতৰ দ্বাৰা সেই বীজ বপন কৰা হৈছে । এতিয়া সেয়া বৃদ্ধি লাভ কৰিব আৰু বিকাশিত হ'ব । কোনেও ইয়াক প্ৰতিহত কৰিব নোৱাৰিব ।

(ৰুহানী খাজাইন খন্ড ২০, পৃঃ ৬৬-৬৭)

## সত্য দাবীৰ চ্যালেঞ্জ

যদি গোটেই বিশ্বৰ জাতিসমূহ মোৰ মোকাবিলাত একত্ৰিত হৈ যায় আৰু এই বিষয়ে পৰীক্ষা হয় যে খোদা কাক অদৃশ্যৰ শক্তি দিয়ে, কাৰ দোৱা গ্ৰহণ কৰে কাক সাহায্য কৰে, আৰু কাৰ বাবে ডাঙৰ ডাঙৰ নিদৰ্শন দেখুৱায়, অৰ্থাৎ মই খোদাৰ শপত খাই কওঁ মইয়ে বিজয় হ'ম । কোনোবা আছেনে ? যিয়ে এই পৰীক্ষাত মোৰ মোকাবোলাত আহিব; হাজাৰ হাজাৰ নিদৰ্শন খোদা কেৱল এই কাৰণেই প্ৰকাশ কৰিছে যাতে শত্ৰুসকলে জানিব পাৰে যে ইছলাম ধৰ্ম সত্য । মই নিজৰ কাৰণে কোনো মৰ্যাদা নিবিচাৰো, বৰং সেই জনাৰ মৰ্যাদা বিচাৰো যিজনাই মোক প্ৰেৰণ কৰিছে ।

(ৰুহানী খাজাইন খণ্ড ২২, পৃঃ ১৮১)

### প্ৰকাশ্য চ্যালেঞ্জ

মই আল্লাহ তায়লাৰ শপত খাই কওঁ, মই এতিয়া সেইজনাক দেখি আছো, পৃথিৱীবাসী মোক চিনিব পৰা নাই, কিন্তু সেইজনাই মোক জানে যিজনে মোক প্ৰেৰণ কৰিছে । এয়া প্ৰতিপক্ষৰ ভুল ধাৰণাৰ কাৰণে দুৰ্ভাগ্য বশতঃ সিহঁতে মোৰ ধ্বংস বিচাৰে । কিন্তু মই এনে এখন

গছ যাক প্ৰকৃত মালিকে বপন কৰিছে। অৰ্থাৎ যিসকলে মোক ধ্বংস কৰিব খোজে সিহঁতৰ অৱস্থাও **কাৰুণ, ইহুদা, আস্কাৰিউতি** আৰু **আবুজেহেলৰ** দৰে হ'ব। মই ক্ৰন্দন হৃদয়ে অসংখ্যবাৰ সকলোকে নবুয়তৰ পদ্ধতিত প্ৰতিযোগীতাৰ বাবে আহ্বান কৰিছোঁ কিন্তু ঐশ্বৰিক নিদৰ্শন দেখাৰ বাবে কোনেও নাহিলে। প্ৰতিযোগীতাৰ ময়দানত অহাটো কোনো নুপুংসকৰ কাম নহয়। হ্যা, পঞ্জাৱ অধিবাসী **গোলাম দস্তগীৰ** কাফিৰসকলৰ লস্কৰৰ এজন সদস্য আহিছিল। কিন্তু এতিয়া তাৰ অনুৰূপ আৰু কোনোবা অহা নাই আৰু নাহেও। হে মানৱ জাতি! মোৰ ওপৰত এনে শক্তিৰ হাত আছে, যিয়ে শেষ পৰ্যন্ত মোক সাহায্য কৰি থাকিব। যদি তোমালোক পুৰুষ, মহিলা, যুৱক, বৃদ্ধ, সৰু, ডাঙৰ সকলোৱে একগোট হৈ মোৰ ধ্বংসৰ কাৰণে দোৱা কৰা, এনেকি ছিজদা কৰি কৰি নাক ভোটা কৰি দিয়া আৰু হাত যদিও অজ্ঞান হৈয়ো যায়, তথাপি আল্লাহ তায়লাৰ ওচৰত তোমালোকৰ দোৱা গৃহীত নহ'ব। এইৰূপ ঐশ্বৰিক কাম সিমান দিনলৈ অব্যাহত থাকিব যিমানদিনলৈকে সেই জনাৰ কাম পূৰ্ণ নহ'ব। যদি কোনো ব্যক্তি মোৰ সাহায্য নকৰে এনে অৱস্থাত আল্লাহ তায়লাৰ ফিৰিস্তা মোৰ সাহায্য কৰিব। যদি তোমালোকে সাক্ষী লুকোৱা তেতিয়া পাথৰ মোৰ সাক্ষী দিব। অৰ্থাৎ নিজৰ প্ৰাণৰ ওপৰত অত্যাচাৰ নকৰিব, কাৰণ সঁচা আৰু মিছা কথাৰ মাজত পাৰ্থক্য হৈয়ে থাকে। আল্লাহ তায়লা প্ৰত্যেক বিষয়ৰ মীমাংসা নকৰি ক্ষান্ত নহয়। (ৰুহানী খাজাইন খণ্ড ১৭, পৃঃ ৩৯৯-৪০০)